Content includes AI-generated material

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, FEBRUARY 18, 2025 ■ মঙলবাৰ, ৫ ফাগুন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৫৩ Guwahati, Assam ।। মূল্যঃ এটকা

## সাহিত্য সভাৰ ১১ কোটিৰ প্ৰকল্প



বিতং বাতৰি ৭ নং পৃষ্ঠাত

# কোকৰাঝাৰৰ পৰা আৰম্ভ বাজেট অধিৱেশন



## উজনিতো লাগে বাজেট অধিৱেশন!

### আহ্বান বিৰোধী দলপতিৰ

ই-সংবাদ, কোকৰাঝাৰ, ১৭ ফেব্ৰুৱাৰীঃ স্বাধীনতোৰ পিছত প্ৰথমবাৰৰ বাবে কোকৰাঝাৰত অসম শেষাংশ ২ পৃষ্ঠাত

## ৰাজ্যপালৰ ভাষণৰ মাজতে ৰুদ্ৰমূৰ্তি ধাৰণ বিধায়ক অখিল গগৈৰ

## চাৰ্টাৰ্ড বাছেৰে অধিৱেশনত বিধায়ক

ই-সংবাদ, কোকৰাঝাৰ, ১৭ ফেব্ৰুৱাৰীঃ আজি স্বাধীনতোৰৰ পিছত পোন প্ৰথমবাৰৰ ৫নং পৃষ্ঠাত

## মুখ্যমন্ত্ৰীক সাক্ষাৎ দল-সংগঠনৰ প্ৰতিনিধিৰ



ই-সংবাদ, কোকৰাঝাৰ, ১৭ ফেব্ৰুৱাৰীঃ ইতিহাস সৃষ্টি কৰি ৰাজ্যৰ ৰাজধানীৰ বাহিৰত প্ৰথমবাৰৰ বাবে কোকৰাঝাৰত অনুষ্ঠিত হোৱা বাজেট অধিৱেশনত শেষাংশ ৩ পৃষ্ঠাত

## বিটিআৰ চুক্তি কাৰ্যকৰীকৰণৰ দাবী অখিলৰ

ই-সংবাদ, কোকৰাঝাৰ, ১৭ ফেব্ৰুৱাৰীঃ ৰাজ্যৰ ৰাজধানী গুৱাহাটীৰ দিছপুৰৰ বাহিৰত প্ৰথমবাৰৰ শেষাংশ ২ পৃষ্ঠাত




কোকৰাঝাৰতো এনেকৈ এক্টিভ মুডত দেখা গ'ল বিধায়ক অখিল গগৈক

## গাদী যোৱাৰ ভয়ত কঁপিছে হিমন্ত! ভূপেন বৰা-গৌৰৱৰ মন্তব্য

ই-সংবাদ, ১৭ ফেব্ৰুৱাৰীঃ ২০২৬ৰ ৰাজ্যৰ নিৰ্বাচনত শোচনীয়ভাৱে পৰাজয় হ'ব বুলি নিশ্চিত হোৱাৰ পিছতে গাদী হেৰুৱাৰ আশংকাত ৩ পৃষ্ঠাত



## জামিন নাপালে চুমি বৰা, বিশাল আৰু তাৰ্কিকে

ই-সংবাদ, ১৭ ফেব্ৰুৱাৰীঃ উচ্চ ন্যায়ালয়ৰ পৰাও সকাহ নাপালে চুমি ২ পৃষ্ঠাত চাওক

## ডিমা হাচাওৰ বাবে ১০০, কাৰ্বি আংলঙৰ বাবে ২০০ কোটি ঘোষণা

# বিটিআৰৰ উন্নয়নৰ বাবে ৫০০ কোটি ঘোষণা মুখ্যমন্ত্ৰীৰ

■ এক ঐতিহাসিক দিন আখ্যা, বিভাজনৰ শংকা নাইকিয়া হৈ পৰিছে বুলি মন্তব্য হিমন্ত বিশ্বৰ



ই-সংবাদ, কোকৰাঝাৰ, ১৭ ফেব্ৰুৱাৰীঃ 'মোৰ জীৱনৰ বাবে আজিৰ দিনটো সকলোতকৈ গুৰুত্বপূৰ্ণ দিন। মোৰ কেৰিয়াৰৰ আটাইতকৈ সফল দিন।' কোকৰাঝাৰ বিধান পৰিষদীয় ভৱনত জি এনেদৰে মনৰ ভাৱ ব্যক্ত ৪ পৃষ্ঠাত চাওক




## পাকিস্তানত উছমানৰ সন্ধেদ

নতুন দিল্লী, ১৭ ফেব্ৰুৱাৰীঃ ১৩ বছৰ ধৰি নিৰুদ্দেশ হৈ থকাৰ পিছত অৱশেষত পাকিস্তানৰ ২ পৃষ্ঠাত

### এছআইটি গঠন কৰি ক্ষিপ্ৰ তদন্তৰ দাবী আপৰ

## কয়লা চিণ্ডিকেটৰ সৈতে জড়িত মন্ত্ৰীৰ ঘনিষ্ঠ!



ই-সংবাদ, ১৭ ফেব্ৰুৱাৰীঃ যোৰহাটৰ সাংসদ গৌৰৱ গগৈক ৰাষ্ট্ৰদ্ৰোহী সজাবলৈ এছআইটি গঠনৰ কথা ৪ পৃষ্ঠাত চাওক


### আকৌ মিত্ৰতাৰ প্ৰসংগ

## বিৰোধীক পুনৰ একত্ৰিত হোৱাৰ আহ্বান লুৰীণৰ

ই-সংবাদ, ১৭ ফেব্ৰুৱাৰীঃ পুনৰ অসমৰ বিৰোধিক একত্ৰিত হ'বলৈ আহ্বান জনাইছে অসম জাতীয় পৰিষদৰ শেষাংশ ৪ পৃষ্ঠাত

### পাকিস্তানী তৌকীৰ শ্বেখ গোচৰ

## তদন্ত! এছআইটি গঠন অসম আৰক্ষীৰ



ই-সংবাদ, ১৭ ফেব্ৰুৱাৰীঃ কালি অনুষ্ঠিত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন কেবিনেটে গৌৰৱ ৩ পৃষ্ঠাত চাওক

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জামিন নাপালে চুমি বৰা, বিশাল

বৰা, পাতি লোৱা ভাতৃ বিশাল ফুকন। উচ্চ ন্যায়ালয়ত জামিনৰ বাবে আৱেদন কৰিছিল যদিও আদালতে জামিন নাকচ কৰিছে। ডিব্ৰুগড় জিলাৰ বৰবৰুৱা আৰক্ষী থানাত ৰুজু ৮৫/২৪ নম্বৰ গোচৰৰ বিৰুদ্ধে জামিন আৱেদন কৰিছিল যদিও চুমি বৰা আৰু বিশাল ফুকনৰ জামিন নাকচ কৰিছে উচ্চ ন্যায়ালয়ে। ইয়াৰ পূৰ্বে ডিব্ৰুগড় থানাত গোচৰত জামিন আৱেদন নাকচ হৈছিল চুমি বৰাৰ। গুৱাহাটীৰ চিবিআই আদালতে জামিন আৱেদন নাকচ কৰিছে। ডিব্ৰুগড় আৰক্ষী থানাত ৰুজু গোচৰতো জামিন নাকচ হৈছিল চুমি বৰাৰ। আদালতৰ পৰা সকাহ নোপোৱাত ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰেই ঠিকনা হৈ থাকিব চুমি বৰা, বিশাল ফুকনৰ।অধিবক্তাই চুমি, তাৰ্কিক আৰু বিশালক মুকলি আকাশৰ তললৈ আনিবলৈ যৎপৰনাস্তি চেষ্টা চলাইছে যদিও সফল হ'ব পৰা নাই। এইবাৰ আন এটা গোচৰত চুমি, বিশালৰ জামিন নাকচ কৰিছে গুৱাহাটী উচ্চ ন্যায়ালয়ে। বহু বিতৰ্কিত নৃত্যশিল্পী চুমি বৰা, পাতি লোৱা ভাতৃ কুখ্যাত বিশাল ফুকনে ট্ৰেডিং কেলেংকাৰী সংঘটিত কৰাৰ অভিযোগ উঠিছিল। বিশাল ফুকনে অবৈধ উপাৰ্জন পাতি লোৱা বায়েক চুমি বৰা তেওঁৰ স্বামী তাৰ্কিক বৰাৰ নামত খৰচ কৰা বুলি অভিযোগ উত্থাপন হোৱাৰ পাছতে প্ৰথমে বিশাল ফুকন আৰু প্ৰায় ১০টা পলায়ন কৰি থকাৰ পিছতে চুমি বৰা আৰু স্বামী তাৰ্কিক বৰাক গ্ৰেপ্তাৰ কৰা হৈছিল। বৰ্তমানেও ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰত কাৰাৰুদ্ধ চুমি বৰা স্বামী তাৰ্কিক বৰা আৰু পাতি লোৱা ভাতৃ বিশাল ফুকন। ইতিমধ্যে চুমি বৰাৰ দেওৰ তথা তাৰ্কিকৰ ভাতৃ অম্লান বৰা আৰু আন এজন ট্ৰেডিং কেলেংকাৰীৰ নায়ক ৰঞ্জিত কাকতিয়ে জামিন লাভ কৰিছে। চুমি বৰা, তাৰ্কিক বৰা, বিশাল ফুকন, অম্লান বৰা, ৰণজিৎ কাকতি, অভিজিৎ ছন্দ, শোভনজ্যোতি কুৰ্মী আৰু চন্দন নাথক ডিব্ৰুগড়ৰ পৰাৰ আনি ২৬ এপ্ৰিলত গুৱাহাটীৰ আদালতত হাজিৰ কৰোৱা হৈছিল। ডিব্ৰুগড় সদৰ আৰক্ষী থানাত ৰুজু ৩৫২/২৪, ৩৫৪/২৪ নম্বৰ গোচৰ আৰু বৰবৰুৱা আৰক্ষী থানাত ৰুজু ৮৫/২৪ গোচৰত তদন্তৰ দায়িত্ব চিবিআইক অৰ্পণ কৰিছে ৰাজ্য চৰকাৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিটিআৰ চুক্তি কাৰ্যকৰীকৰণৰ দাবী

বাবে অসম বিধানসভাৰ বাজেট অধিৱেশন অনুষ্ঠিত হয়। সোমবাৰে পুৱাই মন্ত্ৰী-বিধায়কে বাছযোগে কোকৰাঝাৰলৈ ৰাওনা হৈ এই অধিৱেশনত উপস্থিত হয়। এই অধিৱেশনত ৰাজ্যৰপালৰ ভাষণত বাৰে বাৰে থিয় হৈ ৰাইজৰ দলৰ বিধায়ক অখিল গগৈয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি বিটিআৰ চুক্তিৰ সম্পূৰ্ণ ৰূপায়ণৰ দাবী জনায়। অধিৱেশনৰ বাবে কোকৰাঝাৰত উপস্থিত হৈ পুৱাই অখিল গগৈয়ে কয় যে কোকৰাঝাৰত বিধানসভাৰ অধিৱেশন হোৱাটো এক আশাপ্ৰদ কথা। কিন্তু কেৱল অধিৱেশন কৰিলেই নহ'ব, বিটিআৰ চুক্তিৰ ৰূপায়ণৰ বাবে সময়সীমা নিৰ্ধাৰণ কৰিব লাগিব। বড়ো, কাৰ্বি, ডিমাছাসকলৰ সমস্যা সমাধান কৰাটো চৰকাৰৰ দায়িত্ব। ৰাজ্যপালৰ ভাষণৰ সময়তো গগৈয়ে বিটিআৰ চুক্তিৰ ৰূপায়ণৰ প্ৰসংগ উত্থাপন কৰে। তেওঁ কয় যে চৰকাৰে স্পষ্টকৈ ক'ব লাগিব যে বিটিআৰ চুক্তি কেতিয়া ১০০ শতাংশ ৰূপায়ণ হওক। চুক্তি স্বাক্ষৰ হোৱাৰ পিছতো এনডিএফবিৰ সদস্যসকল জে'লত আছে। তেওঁলোকক মুকলি কৰি দিব লাগে। গগৈয়ে লগতে কেন্দ্ৰীয় চৰকাৰৰ পৰা বিটিআৰলৈ আগবঢ়োৱা ধন পোনপটীয়াকৈ পৰিষদক মুকলি কৰি দিয়াৰ দাবীও জনায়। কেন্দ্ৰীয় চৰকাৰৰ পৰা অহা ধন পোনপটীয়াভাৱে বিটিআৰ আৰু ষষ্ঠ অনুসূচীৰ এলেকাবোৰলৈ এৰি দিয়াৰ ব্যৱস্থা কৰিব লাগে। ৰাজধানীৰ বাহিৰত অনুষ্ঠিত এই অধিৱেশনৰ জৰিয়তে অসম চৰকাৰে ৰাজ্যৰ বিভিন্ন জনজাতীয় সম্প্ৰদায়ৰ সমস্যা সমাধানৰ প্ৰতি গুৰুত্ব আৰোপ কৰিছে। অখিল গগৈৰ মন্তব্যে চৰকাৰক বিটিআৰ চুক্তিৰ ৰূপায়ণৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ প্ৰয়োজনীয়তাক গুৰুত্ব দিয়ে। বিধায়ক অখিল গগৈয়ে কেন্দ্ৰ চৰকাৰ আৰু ৰাজ্য চৰকাৰে বিটিআৰক দিবলগীয়া পুঁজি হ্ৰাস কৰাক লৈও তীব্ৰ আপত্তি দৰ্শোৱা পৰিলক্ষিত হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পাকিস্তানত উছমানৰ সন্ধেদ

কাৰাগাৰত সন্ধান ওলাল উত্তৰ প্ৰদেশৰ সম্ভল নিবাসী উছমানৰ। ২০১২ চনত হঠাতে নিৰুদ্দেশ হৈছিল মহম্মদ উছমান। তাৰ পিছতে পৰা পৰিয়ালে বিচাৰি হাবাথুৰি খোৱা ৪৬ বৰ্ষীয় লোকজন পাকিস্তানৰ লাহোৰৰ কাৰাগাৰত বন্দী হৈ থকাৰ তথ্য লাভ কৰিছে গৃহ পৰিক্ৰমা মন্ত্ৰণালয়ে। কিন্তু তেওঁ কেনেকৈ তাত উপস্থিত হ'ল সেই সম্পৰ্কে বহু প্ৰশ্ন উত্থাপন হৈছে। তেওঁৰ নিৰুদ্দেশ আৰু পাকিস্তানত উপস্থিত হোৱাৰ আঁৰত উগ্ৰপন্থী সংগঠন জড়িত থাকিব পাৰে বুলিও সন্দেহ কৰা হৈছে। পাকিস্তানত বন্দী ভাৰতীয়সকলৰ বিষয়ে সোধা হৈছিল বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ক। সেই ৰিপৰ্টত উছমানৰ নাম পোহৰলৈ আহে। যোৱা বছৰ তেওঁক গ্ৰেপ্তাৰ কৰা হৈছিল বুলি পাকিস্তান চৰকাৰে জানিবলৈ দিয়ে। অৱশ্যে ২০১২ চনৰ পৰা তেওঁৰ অৱস্থান সন্দৰ্ভত কোনো তথ্য পোৱা নাই। ফলত ৰহস্য গভীৰ হৈ পৰিছে। উছমানৰ পৰিয়ালে জনোৱা মতে, ১৯৯৫ চনত তেওঁ এচি মেৰামতি কৰিবলৈ শিকিবলৈ ঘৰৰ পৰা ওলাই আহিছিল। ইয়াৰ পিছত ২০১২ চনলৈকে পৰিয়ালটোৰ সৈতে যোগাযোগ আছিল। তাৰ পাছত হঠাৎ সন্ধানহীন হৈ পৰে। সেই সময়ত দিল্লী আৰক্ষীৰ তদন্তত উছমানৰ নাম আহিছিল। আল কায়দাৰ সৈতে তেওঁৰ সম্পৰ্ক থকাৰ অভিযোগ উত্থাপন হৈছিল। অৱশ্যে সেই সময়ত তেওঁক বিচাৰি নাপালে আৰক্ষীয়ে। এতিয়া পাকিস্তানত তেওঁৰ সন্ধান পোৱাৰ লগে লগে গৃহ মন্ত্ৰালয়ে সম্ভল আৰক্ষীক তদন্তৰ নিৰ্দেশ দিছে। উছমান কেনেকৈ পাকিস্তান পালে সেই সন্দৰ্ভত তদন্ত চলি আছে। জানিব পৰা মতে, উছমানৰ প্ৰতিবেশী ছানাউল হকে ভাৰতত আল কায়দাৰ শ্লীপাৰ চেলৰ দায়িত্বত আছিল। ২০১৯ চনত আফগানিস্তানত আমেৰিকাৰ সৈন্যই তেওঁক হত্যা কৰিছিল। আৰক্ষীৰ অনুমান অনুসৰি সেই অঞ্চলৰ পৰা কমেও ১০-১২ জন লোক নিৰুদ্দেশ হৈ পাকিস্তানত উপস্থিত হয়। গতিকে সমগ্ৰ ঘটনাৰ আঁৰত এটা ডাঙৰ উগ্ৰপন্থী সংযোগ থাকিব পাৰে বুলি সন্দেহ কৰা হৈছে। পাকিস্তানত উছমানৰ উপস্থিতি চোৰাংচোৱা সংস্থাসমূহৰ বাবে এক ডাঙৰ ৰহস্য হৈ পৰিছে।

# শিৱসাগৰৰ দুখন মহাবিদ্যালয়লৈ দ্বৈত ডিগ্ৰীৰ স্বীকৃতি

**ই-সংবাদ, শিৱসাগৰ, ১৭ ফেব্ৰুৱাৰীঃ** শিৱসাগৰৰ শিক্ষা ক্ষেত্ৰখনলৈ আহিছে এটা ভাল খবৰ। ভাৰত চৰকাৰৰ নেচেনেল কাউন্সিল অফ টিৰ্কাচ এডুকেচনে (এনচিটিই) জিলা খনৰ দুখন মহাবিদ্যালয়ক প্ৰদান কৰিছে বিশেষ স্বীকৃতি। ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ অনুসৰি এন চি টি ইৰ অধীনত শিৱসাগৰ বাণিজ্য মহাবিদ্যালয় আৰু শিৱসাগৰ ছোৱালী কলেজক প্ৰদান কৰা হৈছে দ্বৈত ডিগ্ৰীৰ (বিএ, বিএড, বিএছচি, বিএড, বিকম) স্বীকৃতি। শনিবাৰে ঘোষণা কৰা তালিকাত এই স্বীকৃতি লাভ কৰা ৰাজ্যখনৰ মহাবিদ্যালয়ৰ সংখ্যা মুঠ ৫খন। অন্য তিনিখন কলেজ হৈছে চিকেবি কলেজ (টিয়ক), ডিগবৈ কলেজ আৰু লক্ষীমপুৰ ছোৱালী কলেজ। ইয়াৰ পূৰ্বে অসমৰ ৮ কলেজে এই স্বীকৃতি লাভ কৰিছিল। অসমৰ প্ৰায় ৩৫০ খন মহাবিদ্যালয়ৰ ভিতৰত বৰ্তমানলৈকে শেহতীয়া ৫ খন মহাবিদ্যালয়ে এই স্বীকৃতি পোৱাৰ লগতে ৰাজ্যৰ মুঠ ১৩ খন শিক্ষানুষ্ঠানেহে এই দ্বৈত ডিগ্ৰীৰ স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। স্বীকৃতি লাভ কৰা মহাবিদ্যালয় কেইখনক অসমৰ শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে টুইটযোগে অভিনন্দন জনাইছে। এনচিটিইৰ এই স্বীকৃতিয়ে শিৱসাগৰৰ শিক্ষা ক্ষেত্ৰখনক আগুৱাই যোৱাত আৰু অধিক সহায় কৰা লগতে ছাত্ৰ-ছাত্ৰীসকলো উপকৃত হ'ব বুলি আশা প্ৰকাশ কৰিছে জিলাখনৰ শিক্ষানুৰাগী মহলে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# দল-সংগঠনৰ প্ৰতিনিধিক সাক্ষাৎ

অংশগ্ৰহণ কৰিবলৈ আহি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি বাজেট অধিৱেশনৰ পূৰ্বে কেবাটাও দল-সংগঠনক সাক্ষাৎ কৰি বিভিন্ন সমস্যাৰ বুজ লয়। কোকৰাঝাৰৰ বড়োলেণ্ড অতিথিশালাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ উপাচাৰ্য বি এল আহুজাৰ নেতৃত্বত যোৱা প্ৰতিনিধি দলটোৰ সতে বিশ্ববিদ্যালয়খনৰ সৰ্বাংগীন উন্নয়নৰ বাবে আলোচনাত মিলিত হয় আৰু আনুষংগিক সমস্যাসমূহ সমাধানৰ আশ্বাস দিয়ে। ইয়াৰোপৰি বড়ো সাহিত্য সভাৰ সভাপতি সুৰথ নাৰ্জাৰীৰ নেতৃত্বত যোৱা প্ৰতিনিধি দল, সদৌ চাওতালী ছাত্ৰ সন্থাৰ সভাপতি ৰিমান চৰেনৰ নেতৃত্বত যোৱা প্ৰতিনিধি দল, বিটিআৰ গোৰ্খা সমাজৰ হৈ উত্তম প্ৰধানৰ নেতৃত্বত যোৱা প্ৰতিনিধি দল, বড়ো মহিলা লেখিকা সন্থা, বিটিআৰ আক্ৰাছু, সদৌ বাথৌ মহাসভা, ব্ৰহ্ম ধৰ্ম সমন্বয়ৰক্ষী সমিতি, সদৌ বিটিআৰ গৰিয়া মৰিয়া জাতীয় পৰিষদ, সূত্ৰধৰ ছাত্ৰ সন্থা, কোকৰাঝাৰ ইস্কন মন্দিৰ, বিনেশ্বৰ ব্ৰহ্ম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ ফেকাল্টি, দেশী জনগোষ্ঠীয় মঞ্চ, সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদ, সদৌ বিটিআৰ চাহ জনজাতি জলহা যুৱ ছাত্ৰ পৰিষদ, সদৌ বড়ো এছ'চিয়েচন, সদৌ অসম নাথ যোগী ছাত্ৰ সন্থা আদিকে ধৰি আন কেবাটাও দল-সংগঠনৰ নেতৃবৰ্গই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি নিজ দাবীৰ সমৰ্থনত স্মাৰকপত্ৰ প্ৰদান কৰে। ইপিনে সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বিবৃতিত সদৌ অসম নাথ যোগী ছাত্ৰ সন্থাৰ সভাপতি অৰবিন্দ নাথে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ সতে হোৱা আলোচনা ফলপ্ৰসু আছিল বুলি মন্তব্য কৰি সমূহ আন্দোলনৰ কাৰ্যসূচী প্ৰত্যাহাৰ কৰা বুলি ঘোষণা কৰিছে। বিবৃতিত তেওঁ কয় যিহেতু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আমাৰ লগত আলোচনাত মিলিত হৈ আমাৰ দাবীসমূহ এইবাৰৰ বাজেট অধিৱেশনত পুৰণ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে আৰু সেয়েহে সদৌ অসম নাথ-যোগী ছাত্ৰ সন্থাৰ সকলো আন্দোলনৰ কাৰ্যসূচী প্ৰত্যাহাৰ কৰা হৈছে। অহা এপ্ৰিল মাহত কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত কৰি এই বিষয়ত সিদ্ধান্ত গ্ৰহন কৰা হব বুলি মন্তব্য কৰি সদৌ অসম নাথ-যোগী ছাত্ৰ সন্থাৰ সভাপতি অৰবিন্দ নাথে আজি মুখ্যমন্ত্ৰীক ১২ দফীয়া দাবী সম্বলিত স্মাৰকপত্ৰ প্ৰদান কৰা বুলি উল্লেখ কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# গাদী যোৱাৰ ভয়ত কঁপিছে হিমন্ত!

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছ নেতাসকলৰ ভাৱমূৰ্তি নষ্ট কৰাৰ বাবে উঠি-পৰি লাগিছে। সাংসদ গৌৰৱ গগৈয়ে লোকসভাত বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰি বিজেপিৰ ভ্ৰষ্টাচাৰ উদঙাই দিয়া বাবেই হিমন্ত বিশ্ব শৰ্মাই গৌৰৱ গগৈক আক্ৰমণৰ লক্ষ্য কৰি লৈছে। কংগ্ৰেছ কৰ্মীসকলে সাংসদ গৌৰৱ গগৈৰ ওপৰত হোৱা আক্ৰমণত সমূহীয়া প্ৰত্যুত্তৰ দিবলৈ সাজু। আজি সাংসদ গৌৰৱ গগৈৰ লগত এক যুটীয়া সংবাদমেল সম্বোধন কৰি অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সভাপতি ভূপেন কুমাৰ বৰাই এইদৰে কয়। সংবাদমেলখনত উপস্থিত থাকি সাংসদ গৌৰৱ গগৈয়ে কয় যে যিকোনো তদন্তৰ মুখামুখি হ'বলৈ আমি সাজু। ডঃ হিমন্ত বিশ্ব শৰ্মাই গাদী হেৰুওৱাৰ আশংকাত এনেদৰে কংগ্ৰেছক আক্ৰমণ কৰি নিজৰ হতাশগ্ৰস্তাতৰ প্ৰমাণ দিছে। গৌৰৱ গগৈয়ে কংগ্ৰেছ দল নিকা হৈ আছে বুলি স্থিতি স্পষ্ট কৰি কয় যে চৰকাৰে যি তদন্ত কৰে তাৰ বাবে সাজু আছো। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰ মাথো ১২ মাহ আছে আৰু ১২ মাহ পিছতে দিছপুৰত কংগ্ৰেছৰ চৰকাৰ হ'ব বুলিও কয় গৌৰৱ গগৈয়ে। মুখ্যমন্ত্ৰীয়ে ছিংগাপুৰ, ডুবাইৰ কথা ক'লে জাণ্ডুৰ খাই কিয় আৰু মুখ্যমন্ত্ৰীৰ বাংলাদেশৰ সৈতে কি সম্পৰ্ক আছে বুলিও প্ৰশ্ন কৰে। গৌৰৱ গগৈয়ে কয় যে মুখ্যমন্ত্ৰীয়ে প্ৰতিদিনে কথা সলাই আছে। ইয়াৰ দ্বাৰা প্ৰমাণিত যে মুখ্যমন্ত্ৰী শংকিত। মুখ্যমন্ত্ৰীয়ে আত্মবিশ্বাস হেৰুৱাইছে। বিজেপিয়ে গম পাইছে অহা ২০২৬ চনৰ নিৰ্বাচনত কংগ্ৰেছ চৰকাৰ হ'ব। কংগ্ৰেছ চৰকাৰ হ'লে মুখ্যমন্ত্ৰীৰ কি অৱস্থা হ'ব সেই কথা গম পাইছে। গৌৰৱ গগৈয়ে মুখ্যমন্ত্ৰীয়ে ৰাইজৰ প্ৰশ্নৰ উত্তৰ আজিলৈ দিয়া নাই বুলি কৈ কয় যে ১২ মাহ পিছত যেতিয়া তেওঁ প্ৰাক্তন মুখ্যমন্ত্ৰী হ'ব তেতিয়া উত্তৰবিলাক দিব লাগিব। কংগ্ৰেছৰ চৰকাৰ হ'লে মুখ্যমন্ত্ৰীৰ কি অৱস্থা সেই কথা জানে বুলি হিমন্ত বিশ্ব শৰ্মাক আক্ৰমণ কৰি গগৈয়ে আৰু কয় যে কালি অসমৰ ৰাইজে মুখ্যমন্ত্ৰীৰ মুখখন দেখিছে। মুখ্যমন্ত্ৰীৰ চকুলৈ চালেই স্পষ্ট হৈ পৰে যে তেওঁ কিবা ভয় খাইছে। মুখ্যমন্ত্ৰী চিন্তিত আৰু সেয়া স্বাভাৱিক। কিয়নো তেওঁ ভয় খাইছে। কংগ্ৰেছৰ স্থিতি স্পষ্ট। যদি তেওঁলোকে অনুসন্ধান কৰিব বিচাৰে, তেওঁলোকে কৰিব পাৰে। আমি আমাৰ স্থিতিত দৃঢ় হৈ আছো। মুখ্যমন্ত্ৰীয়ে ভয় খাইছে কাৰণ তেওঁ জানে যে এবছৰৰ পিছত নিৰ্বাচনত পৰাজয় নিশ্চিত আৰু তেওঁ তেওঁৰ চকী হেৰুৱাব। ৰাজ্যখনত কংগ্ৰেছ চৰকাৰ গঠন হ'লে তেওঁৰ ভৱিষ্যত কি হ'ব তাক লৈও তেওঁ ভয় কৰে। ১০ বছৰ ধৰি অসমৰ ৰাইজে বিজেপি চৰকাৰ আৰু হিমন্ত বিশ্ব শৰ্মাক প্ৰশ্ন কৰি আহিছে। তেওঁ এটাও প্ৰশ্নৰ উত্তৰ দিয়া নাই। কিন্তু ২০২৬ চনৰ নিৰ্বাচনৰ পিছত শৰ্মাই উত্তৰ দিব লাগিব। এই ১২ মাহত কংগ্ৰেছ দল একত্ৰিত হ'ব। জনসাধাৰণৰ মাজলৈ যাব। তেওঁলোকৰ সমস্যা উত্থাপন কৰিব। শেষত বিজয় অসমৰ জনসাধাৰণৰ হ'ব। সংবাদমেলত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই কয় যে মোদী-অমিত শ্বাহৰ অপকৰ্ম, ভ্ৰষ্টাচাৰ, দুৰ্নীতি আৰু বিশেষকৈ আদানিৰ কেলেংকাৰী-ভ্ৰষ্টাচাৰ সম্পৰ্কত গৌৰৱ গগৈয়ে সদনৰ মজিয়াত যি ভূমিকা লৈছে তাৰ বাবে টাৰ্গেট কৰি লোৱা হৈছে। গৌৰৱ গগৈৰ অসমৰ যুৱ প্ৰজন্ম, অসমৰ সৰ্বসাধাৰণ ৰাইজৰ লগতৰ যিহেতু সু-সম্পৰ্ক আছে যোৰহাটত হৰুৱাব নোৱাৰাৰ বাবে বিজেপিৰ প্ৰতিশোধপৰায়ণ দৃষ্টি ভংগীৰে যোৱা সময়ছোৱাত আক্ৰমণ কৰি আহিছে। একেবাৰে নিম্নস্তৰলৈ গতি কৰিছে। অসমৰ ৰাজনৈতিক, গণতান্ত্ৰিক ইতিহাসত আজিলৈকে কোনো ব্যক্তিক কেন্দ্ৰ কৰি কেবিনেটত আলোচনা হোৱা নাই। অসমৰ ৰাইজৰ হৈ হিমন্ত বিশ্ব শৰ্মাৰ কেবিনেটৰ প্ৰত্যেকটো সিদ্ধান্ত ৰাজহুৱাকৈ পোষ্টমৰ্টেম কৰাৰ দায়িত্ব আমি লৈছো বুলি কয় বৰাই। ক্ষমতা চিৰস্থায়ী নহয় বুলি উল্লেখ কৰি ভূপনে বৰাই আৰু কয় যে গৌৰৱ গগৈ অকলশৰীয়া নহয়। অসম প্ৰদেশ কংগ্ৰেছৰ সকলো নেতা-কৰ্মী গৌৰৱ গগৈৰ সৈতে আছে। কংগ্ৰেছৰ যিসকল নেতাই সন্মুখৰ পৰা দলটোক নেতৃত্ব দি বিজেপিৰ দুৰ্নীতি-ভ্ৰাষ্টাচাৰৰ বিৰুদ্ধে মাত মাতে সেইসকল নেতাৰ বিৰুদ্ধে মুখ্যমন্ত্ৰীয়ে এনেদৰে আক্ৰমণ কৰা বুলি ভূপেন বৰাই অভিযোগ উত্থাপন কৰি তেওঁৰ পৰিয়াল, ৰেকিবুদ্দিন আহমেদৰ পৰিয়ালক আক্ৰমণৰ লক্ষ্য কৰি লোৱা বুলি কয়। কালি কংগ্ৰেছৰ এখন সভা চলি থকা অৱস্থাত মণ্ডল সভাপতিৰ বিৰুদ্ধে আৰক্ষীয়ে গোচৰ ৰুজু কৰাৰ কথা উল্লেখ কৰি থানালৈ মতা বুলিও মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই।

প্ৰথম পৃষ্ঠাৰ পৰা...

# তদন্ত! এছআইটি গঠন অসম আৰক্ষীৰ

গগৈ আৰু পত্নীৰ বিৰুদ্ধে এছআইটি গঠন কৰিবলৈ সাহস নকৰিলে যদিও পাকিস্তানৰ আলী তৌকীৰ শেখৰ বিৰুদ্ধে গোচৰ ৰুজু কৰাৰ অনুমতি দিয়ে। কেবিনেটৰ অনুমোদন মৰ্মে অসম আৰক্ষীৰ ভাৰপ্ৰাপ্ত সঞ্চালক প্ৰধান হৰমিৎ সিঙে গোচৰ ৰুজু কৰিছে। গোচৰৰ তদন্ত কৰিব অপৰাধ অনুসন্ধান শাখাই। পাকিস্তানৰ আলী তৌকীৰ শেখৰ বিৰুদ্ধে ৰুজু গোচৰৰ তদন্ত কৰিবলৈ আৰক্ষী বিষয়া মুন্নাপ্ৰসাদ গুপ্তাৰ অধ্যক্ষতাত প্ৰণৱজ্যোতি গোস্বামী, ৰজী কলিতা, মৈত্ৰেয়ী ডেকাক সদস্য হিচাপে লৈ চিআইডিৰ দল গঠন কৰে অসম আৰক্ষী সঞ্চালক প্ৰধান হৰমিৎ সিঙে। দলটোৱে গৌৰৱ গগৈৰ পত্নী এলিজাবেথৰ আইএছআইৰ সম্পৰ্কক লৈ তদন্ত কৰিব। চিআইডিৰ ০৫/২০২৫ নম্বৰত অধীনত ন্যায় সংহিতাৰ ৪৮, ১৫২, ৬১, ১৯৭,(১), ১৩(১) ধাৰাত গোচৰ ৰুজু হয়। ধাৰাসমূহ বে-আইনী কাৰ্যকলাপ প্ৰতিৰোধ আইনৰ ধাৰা। পাকিস্তানী আলী তৌকীৰ শেখৰ বিৰুদ্ধে এই গোচৰ ৰুজু কৰা হৈছে যদিও গোচৰৰ তদন্তই গগৈৰ পত্নীৰ সম্পৰ্ক কি সেয়া তদন্ত কৰিব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিটিআৰৰ উন্নয়নৰ বাবে ৫০০ কোটি

কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। এক কোটি লোকে 'অ' মোৰ আপোনাৰ দেশ' গাব, ১০ হাজাৰ যুৱক-যুৱতীয়ে বাগৰুম্বা নৃত্যত ভাগ ল'ব। মোৰ কেৰিয়াৰৰ আজিৰ দিনটো বিশেষ দিন। এদিনৰ বাবে প্ৰথমটো দিন কোকৰাঝাৰৰ বিধান পৰিষদীয় ভৱনৰ বাজেট অধিৱেশনত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয় অসম আৰু বিটিআৰত স্থানীয় শান্তি অহাৰ দাবী কৰে। মুখ্যমন্ত্ৰীয়ে এই ক্ষেত্ৰত কয় যে সৰ্বানন্দ সোণোৱাল আৰু হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দিনত এটাও সাম্প্ৰদায়িক সংঘৰ্ষ হোৱা নাই। এজনো মুছলমান লোকৰ প্ৰাণ যোৱা নাই। ৰাজ্যপালৰ ভাষণত বিটিআৰ তথা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ কথা উল্লেখ নথকাত বিধায়ক অখিল গগৈ বাৰে বাৰে থিয় হৈছিল। সেই কথা উভতি ধৰি মুখ্যমন্ত্ৰীয়ে পৰিষদীয় ভৱনতে অখিল গগৈক উত্তৰ দি কয় যে আপুনি ইতিবাচক কথা কওক। নেতিবাচক কথা কোকৰাঝাৰত আহি নক'ব। আপোনাৰ নেতিবাচক কথাৰ বাবে ইয়াত আৰু যাতে আন্দোলনৰ পৰিৱেশৰ সৃষ্টি নহয়। আপুনি এইবোৰ কথা গুৱাহাটীতো ক'ব পাৰিব। আপোনাৰ কথায়ে এইটোকে বুজাব বিচাৰিছে যে চুক্তিয়ে একোৱেই দিয়া নাই। আপুনি গুৱাহাটীত ১০ মিনিট বেছিকৈ বিটিআৰ চুক্তিৰ ওপৰত ক'ব। ১৯৮৫ চনৰ পৰা কোনো মুখ্যমন্ত্ৰীয়ে বিটিচিত নিশা কটোৱা নাছিল বুলি দাবী কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই বিৰোধীক ইতিহাস সোঁৱৰাই। প্ৰফুল্ল কুমাৰ মহন্ত, তৰুণ গগৈৰ ১৫ বছৰীয়া শাসনকাল, সৰ্বানন্দ সোণোৱালেও কোনো মুখ্যমন্ত্ৰীয়ে এটা নিশাও বিটিআৰত কটোৱা নাই। বিটিএডিত মই ৮টা ৰাতি কটাইছো। আগতে নেতাই জনসভা, প্ৰচাৰসভাত অংশগ্ৰহণ কৰিব পৰা নাছিল। মই মুক্তভাৱে ঘূৰো আৰু জনসভাত অংশগ্ৰহণ কৰো। ৰাজ্যপালৰ ভাষণত বাৰে বাৰে থিয় দিয়াত স্বভাৱসুলভভাৱে মুখ্যমন্ত্ৰীয়ে ৰাইজৰ দলৰ সভাপতি অখিল গগৈক পুনৰ উত্তৰ দি আৰু কয় যে বিধানসভাৰ নিৰ্বাচনৰ আগত ষষ্ঠ অনুসূচিৰ কথা ইয়াত কৈ আছে। সেই একেজন মানুহেই নাগালেণ্ড, মেঘালয়ক মাটি এৰি দিলে বিৰোধ কৰে। ষষ্ঠ অনুসূচীৰ বাবে কেন্দ্ৰীয় চৰকাৰে টকা নিদিয়ে। ইয়াত কেন্দ্ৰীয় চৰকাৰে ষষ্ঠ অনুসূচীৰ বাবে টকা দিয়া বুলি ধাৰণা দিব বিচাৰিছে। জনজাতীয় লোকক লৈ ৰাজনীতি কৰা সহজ। কিন্তু জনজাতীয় লোকক আগবঢ়াই নিয়াৰ বাবে মনেপ্ৰাণে কাম কৰাতো টান। মুখ্যমন্ত্ৰীয়ে কোকৰাঝাৰত উপস্থিত হৈয়ে বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মাৰ প্ৰতিমূৰ্তিত সেৱা জনাইছো বুলি অখিল গগৈক উদ্দেশ্যে কয়। অখিল গগৈয়ে বড়োফাৰ প্ৰতিমূৰ্তিত সেৱা জনালে নে নাই নাজানো বুলি অট্টহাস্য কৰে। বড়োফাৰ জন্ম দিন ৩১ মাৰ্চত অখিল গগৈয়ে এটাও টুইট কৰি শ্ৰদ্ধা জনোৱা নাছিল। বিটিআৰ চুক্তি আখৰে আখৰে ৰূপায়ণ কৰিম বুলি উল্লেখ কৰি আৱেগিক হৈ মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে বহু কাম কৰিছে। বড়ো ৰাইজৰ অধিকাৰ সুৰক্ষিত কৰি বড়ো-অবড়োৰ মাজৰ সংঘাত নিৰাময় কৰিছো। ডিফু গুৱাহাটী, নগাঁও, কামৰূপতকৈ বহু আগবাঢ়ি গ'ল বুলি দাবী কৰে মুখ্যমন্ত্ৰীয়ে। বিষয়াই আজিকালি ডিফুত নিশা কটায়। বড়ো সকলোৰ উন্নয়নৰ কাৰণে ৰাজ্য চৰকাৰে সৰ্বত্ৰ প্ৰকাৰে সহায় কৰিব কিন্তু ইয়াৰ বিপৰীতে বিটিআৰত থকা অনাবড়ো সকলোৰ ৰাজনৈতিক, সামাজিক দায়িত্ব বিটিআৰৰ নেতৃবৃন্দই ল'ব লাগিব বুলি উল্লেখ কৰে। বড়ো-অনাবড়ো সকলে একেলগে সমিলমিলেৰে কাম কৰিলেহে এই অঞ্চলটো আটাইতকৈ উন্নয়নশীল বিকশিত অঞ্চল হিচাপে চিহ্নিত হ'ব। বিধানসভাৰ অধ্যক্ষ বিশ্বজিত দৈমাৰীয়ে বিধান সভাৰ মজিয়াত অসমীয়া ভাষাৰ গৰিমাৰ বিষয়ে কোৱাটো এটা উল্লেখনীয় দিশ বুলি উল্লেখ কৰে। আনপিনে বিগত দুটা বছৰত পথ উন্নয়নৰ কাৰণে এহেজাৰ কোটি টকা দিয়াৰ কথা উল্লেখ কৰি আজি বিধানসভাৰ মজিয়াত বিটিআৰৰ পথ উন্নয়নৰ কাৰণে পাঁচশ কোটি টকা, কাৰ্বিআংলঙৰ কাৰনে দুশকোটি আৰু ডিমাহাচাওৰ কাৰণে এশ কোটি টকা দিয়াৰ কথা ঘোষণা কৰিছে মুখ্যমন্ত্ৰীয়ে ।

প্ৰথম পৃষ্ঠাৰ পৰা...

# কয়লা চিণ্ডিকেটৰ সৈতে জড়িত মন্ত্ৰীৰ

কৈছিল যদিও শেষত পাকিস্তানৰ তৌকিৰ শ্বেখ নামৰ লোকজনৰ বিৰুদ্ধে গোচৰ ৰুজু কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসম আৰক্ষীক তদন্ত কৰিবলৈ নিৰ্দেশ দিয়াক পিছতে আন কেইবাটাও বিষয়ক লৈ এছআইটি গঠনৰ দাবী উত্থাপন কৰিবলৈ আৰম্ভ কৰিছে দল-সংগঠনে। আজি আম আদমী পাৰ্টিৰ যুৱ শক্তিৰ নেতা সৌৰভ কলিতাই কয়লা চিণ্ডিকেট, গৰু-গাহৰিৰ চিণ্ডিকেটৰ তদন্ত কৰিবলৈ এছআইটি গঠনৰ দাবী উত্থাপন কৰিছে। আজি গণেশগুৰিস্থিত আপৰ ৰাজ্যিক কাৰ্যালয়ত অনুষ্ঠিত এখন সংবাদমেলত দলৰ যুৱশক্তিৰ সাধাৰণ সম্পাদক সৌৰভ কলিতাই কয় যে ৰাজ্যত চলি থকা অবৈধ কয়লা খনন আৰু সৰবৰাহৰ সৈতে অসম চৰকাৰৰ বৰমূৰীয়াসকল জড়িত। ৰাজ্যৰ অবৈধ কয়লা চিণ্ডিকেটৰ বিৰুদ্ধে তদন্ত চলোৱাৰ বাবে বিশেষ তদন্তকাৰী গোট গঠন হ'ব লাগে। কেইদিনমানৰ পূৰ্বে গোৱালপাৰাত কয়লা ভৰ্তি ট্ৰাক জব্দ হোৱাৰ ঘটনাই বিজেপি চৰকাৰ আৰু দলৰ একাংশ নেতাৰ স্বৰূপ উদঙাই দিছে। আপৰ যুৱ নেতাগৰাকীয়ে কয় যে গোৱালপাৰাৰ কয়লা চিণ্ডিকেটৰ সৈতে জড়িত আব্দুৰ ৰহিম জীৱানৰ মন্ত্ৰী পীযুষ হাজৰিকাৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক আছে। একেদৰে উজনি অসমত চলি থকা গৰু আৰু গাহৰিৰ চিণ্ডিকেটৰ বিৰুদ্ধেও সৰৱ হয় আপৰ নেতাগৰাকী। অবৈধ গৰু-গাহৰিৰ চিণ্ডিকেটৰ সৈতে শিৱচান্দ হাতীবৰুৱা নামৰ এজন লোক জড়িত থকাৰ কথা সংবাদ মাধ্যমত প্ৰকাশ পাইছে। কিন্তু প্ৰশাসনে তেওঁৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। ৰাজ্যখনত চলি থকা চিণ্ডিকেট ৰাজ বন্ধ কৰাৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা চৰকাৰে কোনো ব্যৱস্থা হাতত নোলোৱাটো ৰহস্যজনক বুলিও কয় অসম আপে। আনহাতে সংবাদমেলত উপস্থিত থকা আপৰ যুৱ শক্তিৰ উপ-সভাপতি জিতু ডেকাই ৰাজ্যৰ স্বায়ত্ব শাসিত পৰিষদ অঞ্চলসমূহত স্থাপন কৰা চেকগেটৰ বিৰুদ্ধে সৰৱ হয়। ডিমা হাচাও জিলা, ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদ আৰু অন্যান্য স্বায়ত্ব শাসিত পৰিষদ এলেকাত চেকগেট স্থাপন কৰি প্ৰশাসনে নিয়ন্ত্ৰণহীনভাৱে কৰ সংগ্ৰহ কৰিছে। জিতু ডেকাই আৰু কয় যে বৰ্তমান চৰকাৰে জনসাধাৰণৰ ওপৰত অত্যধিক কৰৰ বোজা জাপি দিছে। এনে জনবিৰোধী নীতিয়ে অসমবাসীক প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বাধীন পূৰ্বৰ অসম গণ পৰিষদ চৰকাৰৰ স্বৈৰাচাৰী নীতি মনত পেলাই দিছে। জনসাধাৰণক কৰ-কাটলৰ বোজাৰে জ্বলা-কলা খুওৱা চৰকাৰখনক আগন্তুক দিনত ৰাইজে উচিত প্ৰত্যুত্তৰ দিব বুলিও মন্তব্য কৰে আম আদমী পাৰ্টিৰ নেতাগৰাকীয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# পুনৰ বিৰোধীক একত্ৰিত হোৱাৰ আহ্বান

সভাপতি লুৰীণজ্যোতি গগৈয়ে। লুৰীণজ্যোতি গগৈয়ে কেৱল বিধানসভা নিৰ্বাচনতে নহয় পঞ্চায়ত নিৰ্বাচনতো একত্ৰিত হৈ নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ আহ্বান জনাইছে বিৰোধী দলসমূহক। আজি সংবাদমাধ্যমৰ মুখামুখি হৈ কংগ্ৰেছ, বামপন্থী দল আৰু ৰাইজৰ দলৰ নাম নোলোৱাকৈ সকলো দলক একত্ৰিত হ'বলৈ আকৌ এবাৰ আহ্বান জনাইছে লুৰীণজ্যোতি গগৈয়ে। একতাৰ কথা আমি প্ৰতিমুহূৰ্তত আৰু সদায়েই কৈ আহিছো বুলি কৈ গগৈয়ে কয় যে ২০২১ চনৰ নিৰ্বাচন আৰু উপ-নিৰ্বাচন বা পৌৰ সভাৰ নিৰ্বাচনত অংশ লৈ ফলাফল তেতিয়া আশাপ্ৰদ হোৱা নাই। তেতিয়া আমি উপলব্ধি কৰিছো যে আমি একতাৰে নিৰ্বাচনত যুঁজিব লাগিব। এটাই কথা যে আমি একতাৰে নিৰ্বাচন যুঁজিব লাগিব। তাকে লৈ আমি প্ৰস্তুতি চলাইছো। একত্ৰিতভাৱে যুঁজিবলৈ যি ৰণকৌশল তৈয়াৰ কৰিব লাগে তাতো আমি সহযোগিতা কৰি গৈছো বুলিও কয়। লগতে তেওঁ কয় যে ভাৰতবৰ্ষৰ বিভিন্ন নিৰ্বাচন ফলাফল আৰু অসমৰো বাস্তৱ পৰিস্থিতি আৰু ফলাফল তাৰ পৰা শিক্ষা লৈ আমি সকলো একেলগে আগবাঢ়িব লাগে। দিল্লীৰ নিৰ্বাচন, হাৰিয়ানাত আপৰ ১.৭৯ শতাংশ ভোটে চৰকাৰৰ গঠনৰ বাট মুকলি কৰি দিছিল। এতিয়াও সময় সমাগত যে আমি সন্মিলিতভাৱে পঞ্চায়ত নিৰ্বাচন আৰু ২০২৬ চনৰ বিধানসভাৰ নিৰ্বাচন খেলিব লাগে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# শিৱসাগৰত বাজেট অধিৱেশন!

বিধানসভাৰ বাজেট অধিৱেশন অনুষ্ঠিত কৰাৰ পিছত এইবাৰ অসম বিধানসভাৰ বাজেট অধিৱেশন উজনি অসমৰ ঐতিহ্যমণ্ডিত শিৱসাগৰতো অনুষ্ঠিত কৰাৰ আহ্বান জনাইছে অসম বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই। আজি কোকৰাঝাৰত ইতিহাস সৃষ্টিকাৰী বাজেট অধিবেশনত ভাগ লবলৈ আহি পোনপ্ৰথমে বড়োলেণ্ড সচিবালয়ত থকা বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মাৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই। ইয়াৰ পিছতেই এক সংবাদমেল সম্বোধন কৰি বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই কয় যে অধ্যক্ষ বিশ্বজিৎ দৈমাৰী আৰু মুখ্যমন্ত্ৰীৰ ইচ্ছাৰ বাবেই কোকৰাঝাৰত আজিৰ বাজেট অধিৱেশন অনুষ্ঠিত হৈছে। ভৱিষ্যতেও এনে পদক্ষেপ ল'ব বুলি আশা কৰি দেৱব্ৰত শইকীয়াই। শিৱসাগৰত অসম বিধানসভাৰ বাজেট অধিবেশন অনুষ্ঠিত কৰিবলৈ তেওঁ দাবী জনাইছে। তদুপৰি সকলো জাতি-জনগোষ্ঠীৰ মাজত সম্ভাৱ মিলাপ্ৰীতি বৰ্তাই ৰখাত সকলোৰে দায়িত্ব আছে আৰু সকলোৰে বিষয়টোক আগবঢ়াই নিব বুলি আশা প্ৰকাশ কৰে শইকীয়াই। বৰদলৈ সমিতিৰ পৰামৰ্শ মৰ্মে পাহাৰৰ জনজাতিৰ বাবে ষষ্ঠ অনুসূচী গঠন কৰা হৈছিল আৰু পোন প্ৰথমবাৰৰ বাবে ২০০৩ চনত ভৈয়ামৰ জনজাতিৰ বাবেও ষষ্ঠ অনুসূচী গঠন হ'ল বুলি মন্তব্য কৰি ইয়াত সুবিধা-অসুবিধা দুয়োটাই আছে বুলি মন্তব্য কৰি নেতৃত্ব লোৱা সকলেও পাৰদৰ্শিতা দেখুৱাব লাগিব বুলি মন্তব্য কৰিছে বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই। ইপিনে, স্বাধীনত্তোৰৰ পিছত প্ৰথমবাৰৰ বাবে ৰাজধানীৰ বাহিৰত কোকৰাঝাৰত অনুষ্ঠিত হোৱা অসম বিধানসভাৰ বাজেট অধিৱেশনত অংশগ্ৰহণ কৰি অগপৰ সভাপতি অতুল বৰাই কয় যে এটা সময়ত এই অঞ্চলটোত হত্যা, হিংসা, অপহৰণ, লুটপাত সংঘটিত হৈছিল আৰু আজি বিধানসভাৰ বাজেট অধিৱেশন পতাৰ পৰিৱেশ সৃষ্টি হৈছে। ইয়াৰ বাবে অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে সুচাৰুৰূপে আয়োজন কৰা বাবে বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োকো ধন্যবাদ জ্ঞাপন কৰে অতুল বৰাই। ৰাজধানীৰ বাহিৰত বাজেট অধিৱেশন অনুষ্ঠিত কৰা প্ৰক্ৰিয়াই গণতন্ত্ৰক অধিক শক্তিশালী কৰি তুলিব বুলি মন্তব্য কৰি অতুল বৰাই মুখ্যমন্ত্ৰী ডাঃ হিমন্ত বিশ্ব শৰ্মাৰ দুৰদৰ্শী নেৰ্তৃত্বতে ষষ্ঠ অনুসূচীকে ধৰি সকলোতে সম উন্নয়ন, সম বিকাশ হৈছে আৰু স্বাধীনত্তোৰৰ পিছত সমাধান নোহোৱা সমস্যাসমূহো লাহে লাহে সমাধানৰ দিশত আগবাঢ়িছে বুলি মন্তব্য কৰিছে অগপৰ সভাপতি অতুল বৰাই।

প্ৰথম পৃষ্ঠাৰ পৰা...

# কোকৰাঝাৰৰ পৰা আৰম্ভ বাজেট

আজি অসম বিধানসভাৰ বাজেট অধিবেশন কোকৰাঝাৰৰ বড়োলেণ্ড প্ৰাদেশীয় বিধান পৰিষদীয় ভৱনত অনুষ্ঠিত হয়। দুপৰীয়া ১২ বজাত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই ভাৰতীয় সংবিধানৰ ১৭৬ (১) অনুচ্ছেদৰ অধীনত বিধানসভাৰ বাজেট অধিবেশনত ভাষণ আৰম্ভ কৰে। ৰাজ্যপালে এডভাণ্টেজ আছাম ২.০ সম্পৰ্কে ভাষণ দি থকা অৱস্থাত বিধায়ক অখিল গগৈয়ে এডভাণ্টেজ আসাম ১.০ ত অসমে কি পালে বুলি প্ৰশ্ন উত্থাপন কৰি সেই সন্দৰ্ভত প্ৰথমে স্পষ্ট কৰিবলৈ আহ্বান জনায়। ৰাজ্যপালৰ ভাষণৰ মাজতে বিধায়ক অখিল গগৈয়ে কেবাবাৰো এডভাণ্টেজ আসামক লৈ প্ৰশ্ন উত্থাপন কৰাত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিত দৈমাৰীয়ে অখিল গগৈক প্ৰশ্নকালীন শিতানতহে প্ৰশ্ন কৰিবলৈ অনুৰোধ কৰি বিধায়ক অখিল গগৈক বহিবলৈ নিৰ্দেশ দিয়ে। তৎস্বত্বেও অখিল গগৈয়ে নিজৰ স্বভাৱজাত প্ৰক্ৰিয়াৰে সদনত থিয় হৈ কয় যে বিটিআৰত আজি বাজেট অধিৱেশনৰ কাৰ্যসূচী আৰম্ভ হৈছে যদিও ৰাজ্যপালৰ ভাষণত বিটিআৰ চুক্তি সম্পৰ্কে কোনো কথা নাই। বিটিআৰ চুক্তিৰ কথা কওঁক, বিটিআৰ চুক্তি ১০০ শতাংশ ৰূপায়ন কেতিয়া হ'ব সেই সন্দৰ্ভত স্পষ্টকৈ কওঁক, বড়ো সকলৰ সংগ্ৰামৰ বিষয়ে কওঁক বুলি বিধায়ক অখিল গগৈয়ে সদনৰ মজিয়াত বক্তব্য ৰাখে। এনে এক পৰিৱেশৰ মাজতেই ৰাজ্যপালৰ ভাষণ সমাপ্ত হয়। ইয়াৰ পিছতে সদনৰ কাৰ্যসূচী ডেৰ ঘন্টাৰ বাবে বিৰতি ৰখা হয়। প্ৰায় ডেৰ ঘন্টা পিছত পুনৰাই সদনৰ কাৰ্যসূচী আৰম্ভ হয়। ইয়াৰ পিছতে সদনে প্ৰাক্তন বিধায়ক, বিধায়িকা আৰু অন্যান্যসকলৰ মৃত্যুত শোক প্ৰকাশ কৰে। কাৰ্যক্ৰমনিকা অনুসৰি ইয়াৰ পিছত মুখ্যমন্ত্ৰী ডাঃ হিমন্ত বিশ্ব শৰ্মাই সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষা CCE-2013(vol-1) আৰু সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষা CCE ( 2014-1) ৰ লগত জড়িত অভিযোগ আৰু দুৰ্নীতি সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ (অৱসৰপ্ৰাপ্ত) শ্ৰী বি কে শৰ্মাৰ নেতৃত্বত গঠিত এজনীয়া তদন্ত আয়োগৰ দুখন প্ৰতিবেদন দাখিল কৰে। ইয়াৰ পিছত অসম বিধানসভাৰ অধ্যক্ষই বিধানসভাৰ ২০২৫ চনৰ বাজেট অধিবেশনৰ বাবে কাৰ্যসূচী স্থিৰ কৰি অসম বিধানসভাৰ কাৰ্য উপদেষ্টা সমিতিৰ প্ৰতিবেদন ঘোষণা কৰে। তদুপৰি মন্ত্ৰী অজন্তা নেওগে ২০২৪-২৫ বৰ্ষৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী আৰু পৰিপূৰক বিনিয়োজনসমূহ উপস্থাপন কৰে। ইয়াৰ পিছত বিধায়ক লৰেন্স ইছলাৰীয়ে অসমৰ ষষ্ঠ অনুসূচিৰ অন্তৰ্গত অঞ্চলসমূহৰ আৰ্থসামাজিক আৰু সামগ্ৰীক উন্নয়নৰ ওপৰত আলোচনা কৰে। বিধানসভাৰ মজিয়াৰ বিপিএফৰ বিধায়ক ৰবিৰাম নাৰ্জাৰীয়ে বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য আৰু উপ-মুখ্য কাৰ্যবাহী সদস্য পদৰ কেবিনেট মৰ্যদা বাহাল ৰখাৰ দাবী জনায়। তদুপৰি বিটিএডি এলেকাক অৰ্থনৈতিক জ'ন ঘোষণা কৰি কেন্দ্ৰীয় চৰকাৰৰ পৰা অহা উন্নয়নমূলক আঁচনিৰ ধন পোনপটীয়াকৈ বিটিচিলৈ প্ৰেৰণ কৰিবলৈ দাবী উত্থাপন কৰে বিধায়ক ৰবিৰাম নাৰ্জাৰীয়ে। আনহাতে সদনৰ মজিয়াত অখিল গগৈয়ে কয় যে বিটিআৰ চুক্তিৰ ৭৯টা কামৰ ভিতৰত ২৪টা কাম এতিয়ালৈ কৰা হ'ল। অতিশীঘ্ৰে এশ শতাংশ কাম কৰিবলৈ চৰকাৰক দাবী জনায়। তেওঁ বিটিচিৰ ৪০টা সমষ্টিৰ পৰা ৬০টা সমষ্টি বৃদ্ধি কৰাৰ দাবী জনাইছে। বিটিআৰ চুক্তি আখৰে আখৰে পালন নকৰিলে বিটিএডি অঞ্চলত পুনৰ অস্ত্ৰৰ ঝনঝননি আৰু আন্দোলন হ'ব পাৰে বুলি উদাত্ত কণ্ঠৰে সদনত নিজ মত ব্যক্ত কৰে অখিল গগৈয়ে। উল্লেখ্য যে পোন প্ৰথমবাৰৰ বাবে কোকৰাঝাৰত অনুষ্ঠিত হোৱা বাজেট অধিবেশনক লৈ বিটিচি বিধান পৰিষদীয় ভৱন আৰু বিটিচি সচিবালয়ৰ লগতে সমগ্ৰ কোকৰাঝাৰ চহৰ ন ৰূপত সজাই তোলা হৈছিল। কোকৰাঝাৰ চহৰৰ বাট-পথৰ দুয়োকাষে মুখ্যমন্ত্ৰী আৰু মন্ত্ৰীৰ ফটো সম্বলিত বেনাৰ পোষ্টাৰ লগোৱাৰ লগতে ৰাস্তাৰ দুয়োকাষে থকা আৱৰ্জনাসমূহ আতঁৰ কৰি কোকৰাঝাৰ চহৰ সুন্দৰ ৰূপত সজাই তুলিছিল। ইপিনে আজি বিধানসভাৰ অধিবেশনত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, বিধানসভাৰ অধ্যক্ষ বিশ্বজিত দৈমাৰী আৰু ১২৬ গৰাকী মন্ত্ৰী, বিধায়ক-বিধায়িকাক বিটিচি বিধান পৰিষদীয় ভৱনলৈ বিভিন্ন জাতি-জনগোষ্ঠীৰ পৰম্পৰাগত সাংস্কৃতিক নৃত্যৰে আদৰি অনা হয়। উল্লেখ্য যে, বাজেট অধিবেশনত অংশগ্ৰহণ কৰিবলৈ মন্ত্ৰী, বিধায়ক-বিধায়িকাসকলে আজি ৰাতিপুৱাই গুৱাহাটীৰ পৰা বাছযোগে কোকৰাঝাৰলৈ ৰাওনা হয় আৰু বজালীত ৰাতিপুৱাৰ আহাৰ গ্ৰহণ কৰি কোকৰাঝাৰৰ বিটিচি বিধান পৰিষদীয় ভৱনত পুৱা ১১ মান বজাত উপস্থিত হয়। ইপিনে বাজেট অধিৱেশনৰ অন্তত বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে গণতান্ত্ৰিক ইতিহাসত বিটিআৰ অঞ্চলৰ বাবে আজিৰ দিনটো ঐতিহাসিক দিন বুলি বিবেচিত হৈ ৰব বুলি মন্তব্য কৰিছে। এই বিশেষ দিনটোৰ বাবে লোৱা সিদ্ধান্তৰ বাবে মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰি প্ৰমোদ বড়োৱে মুখ্যমন্ত্ৰীয়ে সকলো জাতি-জনগোষ্ঠীকে সম অধিকাৰ দিয়াৰ বাবে অঞ্চলটোলৈ শান্তি ঘূৰি আহিছে বুলি মন্তব্য কৰে। ২০২০ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কোকৰাঝাৰত আহি এতিয়াৰে পৰা আৰু কোনো মাতৃ-ভগ্নীয়ে যাতে চকুপানী মচিব নালাগিব বুলি কোৱা কথাষাৰ আখৰে আখৰে ৰূপায়িত হৈছে বুলি মন্তব্য কৰি কোকৰাঝাৰত বিধানসভাৰ অধিৱেশন বহিছে মানে শান্তি যে ঘূৰি আহিছে সেয়া প্ৰমানিত হৈছে বুলি মন্তব্য কৰিছে প্ৰমোদ বড়োৱে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ দুৰদৰ্শী চিন্তাই ধনাত্মক পৰিৱেশ সৃষ্টি কৰিছে আৰু নেতৃত্বৰ ধনাত্মক চিন্তাৰ বাবে দেশ ৰাজ্য আগবাঢ়ি যায় বুলি মন্তব্য কৰি ষষ্ঠ অনুসূচীৰ ওপৰত সদনত হোৱা আলোচনাই ষষ্ঠ অনুসূচীত বসবাস কৰা সকলো জাতি-জনগোষ্ঠীক আগবঢ়াই নিব বুলি মন্তব্য কৰে বিটিচিৰ মুখ্য কাৰ্যসূচী প্ৰমোদ বড়োৱে।

# ২০২৬ত দিগন্ত কলিতাক নিবিচাৰে নৱগঠিত কমলপুৰ সমষ্টিৰ ভোটাৰ ৰাইজে

## হেমন্ত চৌধুৰী, ৰঞ্জিত ভট্টাচাৰ্য! ৰাইজৰ মাজত চৰ্চিত নতুন মুখ

**ই-সংবাদ, বাইহাটা চাৰিআলি, ১৭ ফেব্ৰুৱাৰীঃ** ২০২৬ ৰ অসম বিধানসভা নিৰ্বাচনলৈ মাজত বাকী আছে এটা বছৰৰো কম সময়। এনে সময়তে সমাগত বিধানসভা নিৰ্বাচনত কমলপুৰ সমষ্টিৰ বিজেপি দলৰ প্ৰাৰ্থী হিচাপে দিগন্ত কলিতাৰ পৰিৱৰ্তন বিচাৰিছে অধিকাংশ ভোটাৰ ৰাইজে। বিশেষকৈ নৱগঠিত কমলপুৰ সমষ্টিত নতুনকৈ অন্তৰ্ভুক্ত হোৱা পূৰ্বৰ জালুকবাৰী সমষ্টিৰ সাধাৰণ ভোটাৰ ৰাইজে বিজেপি দলৰ প্ৰাৰ্থী হিচাপে ২০২৬ ত চাব নোখোজে দিগন্ত কলিতাক। একাংশ ভোটাৰৰ মতে বৰ্তমানৰ বিধায়ক দিগন্ত কলিতা সভা-সমিতিত অংশগ্ৰহণ, ব্যক্তিগত ব্যৱসায়িক প্ৰতিষ্ঠান আদি মুকলি কাৰ্যত সক্ৰিয় যদিও সমষ্টি উন্নয়নৰ ক্ষেত্ৰত তেওঁৰ ভূমিকা আশাব্যঞ্জক নহয়। বিগত চাৰি বছৰে কমলপুৰ সমষ্টিৰ বাট-পথ আদি মেৰামতিৰ ক্ষেত্ৰত আশা কৰা ধৰণে সফল হ'ব পৰা নাই বৰ্তমানৰ বিধায়ক দিগন্ত কলিতা। তেওঁৰ কাৰ্যকালত সমষ্টিৰ বহু গ্ৰাম্য পথৰ শোচনীয়া অৱস্থাই পথচাৰীক ত্ৰাহি মধুসূদন সুঁৰৰিবলৈ বাধ্য কৰাইছে। সেয়ে কমলপুৰ সমষ্টিৰ একাংশ সাধাৰণ ভোটাৰ ৰাইজে ২০২৬ত বিজেপি দলৰপৰা কমলপুৰ সমষ্টিত প্ৰাৰ্থীৰ পৰিৱৰ্তন বিচাৰিছে। বিশেষকৈ কমলপুৰ সমষ্টিত নতুনকৈ সংযোগ হোৱা পূৰ্বৰ জালুকবাৰী সমষ্টিৰ আগডলা, বেজেৰা, মান্দাকাটা, ৰুদ্ৰেশ্বৰ, শৰাইঘাট, লাচিতগড় আদি গাঁও পঞ্চায়তৰ প্ৰায় ১০০% শতাংশ বিজেপিৰ কৰ্মী-সমৰ্থক আৰু শুভাকাংক্ষীয়ে জালুকবাৰী সমষ্টিৰ বৰ্তমানৰ বিধায়ক তথা ৰাজ্যৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাকে ২০২৬ ত কমলপুৰ সমষ্টিৰপৰা বিজেপি দলৰ প্ৰাৰ্থী হিচাপে বিচাৰে। যদি মুখ্যমন্ত্ৰীগৰাকীয়ে কমলপুৰৰ পৰিৱৰ্তে নৱগঠিত জালুকবাৰী সমষ্টি বা মাজে মাজে চৰ্চা হৈ থকা উজনিৰ কোনো সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়ায় তেন্তে তেওঁৰ ঠাইত তেওঁৰ পত্নী ৰিণিকি ভূঞা শৰ্মাক নৱগঠিত কমলপুৰ সমষ্টিত প্ৰাৰ্থিত্ব প্ৰদান কৰিবলৈ একাংশ ৰাইজে দাবী জনাইছে। তদুপৰি যদি ৰিণিকি ভূঞা শৰ্মাই সক্ৰিয়ভাৱে ৰাজনীতিত অংশগ্ৰহণ নকৰে বা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰে তেন্তে তেনেক্ষেত্ৰত মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰী আৰু কিষাণ মৰ্চাৰ ৰাজ্যিক সম্পাদক ৰঞ্জিত ভট্টাচাৰ্যৰ এজনক কমলপুৰ সমষ্টিত বিজেপি দলৰ প্ৰাৰ্থী হিচাপে প্ৰাৰ্থিত্ব প্ৰদান কৰিবলৈ বিজেপি দলৰ নেতৃত্বক আহ্বান জনাইছে বিজেপি দলৰে একাংশ নেতা-কৰ্মী-সমৰ্থক আৰু শুভাকাংক্ষীয়ে। ৰিণিকি ভূঞা শৰ্মা, হেমন্ত চৌধুৰী আৰু ৰঞ্জিত ভট্টাচাৰ্যৰ পিছতে তেওঁলোকৰ বিকল্প হিচাপে চৰ্চালৈ আহিছে প্ৰাণজিৎ ডেকাৰ নাম। মুঠৰ ওপৰত বৰ্তমান বিধায়ক দিগন্ত কলিতাক পুনৰ বিজেপি দলৰ প্ৰাৰ্থী হিচাপে গৰিষ্ঠ সংখ্যক বিজেপিৰ কৰ্মী-সমৰ্থক আৰু সাধাৰণ ভোটাৰে যে নিবিচাৰে সেয়া এই প্ৰতিবেদকে ৰাইজৰ মাজত চলোৱা সমীক্ষাত প্ৰায় স্পষ্ট হৈ পৰিছে। বিজেপি দলৰ নেতৃত্বই ২০২৬ ৰ বিধানসভা নিৰ্বাচনত কমলপুৰ সমষ্টিৰপৰা প্ৰাৰ্থিত্ব প্ৰদানৰ ক্ষেত্ৰত কি সিদ্ধান্ত গ্ৰহণ কৰে সেয়া সময়ত স্পষ্ট হ'ব। এতিয়া মাথোঁ সময়ৰ অপেক্ষা।

# আটাছু নেতা লাটুমণিৰ চিকিৎসাৰ বাবে সাহায্য আহ্বান

**ই-সংবাদ, মৰিয়নি, ১৭ ফেব্ৰুৱাৰীঃ** যোৰহাট জিলাৰ চেলেংহাট বৰনগঞা গাঁৱৰ যুৱক তথা সদৌ টাই আহোম ছাত্ৰ সন্থা (আটাছু) চেলেংহাট আঞ্চলিক সমিতিৰ প্ৰচাৰ সম্পাদক লাটুমণি গগৈ সম্প্ৰতি বৃক্কজনিত ৰোগত আক্ৰান্ত হৈ যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পাতালত চিকিৎসাধীন হৈ আছে। আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ লাটুমণি গগৈৰ চিকিৎসাৰ বাবে প্ৰয়োজন হোৱা বৃহৎ পৰিমাণৰ ধনৰ জোৰা মাৰিব নোৱাৰি বিপাঙত পৰিছে লাটুমণিৰ মাতৃ দিপালী গগৈ। উল্লেখ্য যে, তিনিবছৰৰ পূৰ্বে পিতৃৰ বিয়োগ ঘটা লাটুমণি গগৈৰ ভগ্নীৰো কিছুদিনৰ পূৰ্বে মৃত্যু ঘটিছিল। বৰ্তমান মাতৃৰ সৈতে বসবাস কৰা লাটুমণিয়েই পৰিয়ালটোৰ একমাত্ৰ উপাৰ্জনকাৰী। জটিল ৰোগত আক্ৰান্ত লাটুমণি গগৈৰ চিকিৎসাৰ বাবে বহু অৰ্থৰ প্ৰয়োজন হৈছে। লাটুমণি গগৈৰ চিকিৎসাৰ বাবে এতিয়া শুভাকাংক্ষীসকলে ৰাইজৰ সহায়-সহযোগ বিচাৰি আবেদন জনাইছে। সদাশয় কোনো মানৱদৰদী হৃদয়ৱান লোকে যুৱকজনক আৰ্থিক সাহায্য প্ৰদান কৰিব বিচাৰিলে লাটুমণি গগৈৰ গুগল পে নম্বৰ ৮৮২২৪৫১৮৯৮ ত প্ৰদান কৰিব পাৰিব বুলি জানিবলৈ দিছে তেওঁৰ বন্ধুবৰ্গ আৰু শুভাকাংক্ষীসকলে।

# পুৰণিগুদামৰ ৰংগালয়ত ভাৰত চৰকাৰৰ 'বিশ্ব জন ৰংগ' উদযাপন, নাটক 'পঞ্চম বেদ' মঞ্চায়ন

**ই-সংবাদ, পুৰণিগুদাম, ১৭ ফেব্ৰুৱাৰীঃ** ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ অধীনস্থ ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ে আয়োজন কৰি অহা ভাৰত ৰংগ মহোৎসৱৰ এই বছৰ ৰূপালী জয়ন্তী বৰ্ষ। তদুপলক্ষে ভাৰত চৰকাৰে সমগ্ৰ বিশ্বজুৰি বিভিন্ন ক্ষেত্ৰৰ সাংস্কৃতিক অনুষ্ঠান, বিদ্যালয় আৰু ব্যক্তিৰ জৰিয়তে এই নাট্য মহোৎসৱৰ ৰূপালী জয়ন্তীৰ উদযাপন কৰাৰ বাবে 'পঞ্চম বেদ' নামৰ এখন নাটকৰ মঞ্চায়নৰ কৰি 'বিশ্ব জন ৰংগ' শীৰ্ষক এক গুৰুত্বপূৰ্ণ নাট্য উৎসৱৰ আয়োজন কৰিছে। ভাৰত চৰকাৰৰ এই মহৎ প্ৰচেষ্টাৰ প্ৰতি সন্মান জনাই দেশৰ বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ লগতে নগাঁও জিলাৰ পুৰণিগুদামৰ ৰংগালয় নাট্যদলে পুৰণিগুদাম কঢ়ালি গাঁৱত থকা ৰংগালয় ষ্টুডিঅ' থিয়েটাৰত ১৫ ফেব্ৰুৱাৰীত বিয়লি ৪ বজাৰ পৰা 'পঞ্চম বেদ' নামৰ নাটকখন মঞ্চায়ন কৰে। নাট্য কৰ্মী মৃণাল কুমাৰ বৰাই পৰিচালনা কৰা নাটকখনত অভিনয় কৰে বিশ্বজ্যোতি বৰা, উজ্জ্বল মণি বৰা, পাৰ্থ প্ৰতিম হাজৰিকা, প্ৰিয়াংশু দাস, সৌৰভ কাশ্যপ, বৰ্ষ কিশোৰ বৈৰাগী, নয়নজ্যোতি বৰা আদিয়ে। আদিত্য কুমাৰ বৰাই সংগীত পৰিচালনা কৰাৰ লগতে প্ৰহেলিকা বৰা আৰু পুতুলি ভূঞাই সাজসজ্জাৰ পৰিকল্পনা কৰিছে। ৰূপসজ্জা তন্মী ফুকন আৰু প্ৰণীতা শইকীয়াৰ। মঞ্চ পৰিকল্পনা কাশ্যপ শইকীয়া আৰু টিকেন্দ্ৰজিৎ হাজৰিকাৰ। নাটকৰ মাজেৰে বিশ্ব অভিলেখ গঢ়াৰ ক্ষেত্ৰত ভাৰত চৰকাৰে ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ জৰিয়তে যি এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে তাত অংশগ্ৰহণ কৰিবলৈ পাই ৰংগালয়ৰ শিল্পীসকলে নিজকে সৌভাগ্য বুলি মন্তব্য কৰিছে। আনহাতে নাটখন প্ৰদৰ্শন কৰি দৰ্শকসকলো আপ্লুত হৈ পৰে।

Nucleomed- পেটিচিটি স্কেন / PETCT Scan- 970701223

# ছিপাঝাৰৰ কামাখ্যা বায়'ফুৰেলছ ইথানল উদ্যোগে আনিছে বিপদৰ ভয়াৱহ আগজাননী

**ই-সংবাদ, দুমুনিচকী, ১৭ ফেব্ৰুৱাৰীঃ** শব্দ প্ৰদূষণে জন জীৱন অতিষ্ঠ কৰাৰ পিছত এইবাৰ একেটা উদ্যোগৰ পৰা নিৰ্গত হোৱা ক'লা ধোঁৱাই আৱৰি ধৰিছে দুমুনিচকী অঞ্চল। দৰং জিলাৰ পশ্চিম প্ৰান্তৰ লগতে কামৰূপ জিলাৰ উত্তৰ গুৱাহাটী আৰু কমলপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত দুমুনিচকী অঞ্চলত ভয়াৱহ প্ৰদূষণৰ প্ৰভাৱ পেলাইছে দৰং জিলাৰ এই উদ্যোগটোৱে। অসম প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ প্ৰদূষণ নিয়ন্ত্ৰণ আঁচনি ধোঁৱা চাঙত তুলি জন জীৱনক লৈ হেতালি খেলাৰ অভিযোগ উঠিছে উদ্যোগ কৰ্তৃপক্ষৰ বিৰুদ্ধে। জানিব পৰা মতে, আতংকিত ৰাইজে আজি সন্ধিয়া ৰাইজ মেল অনুষ্ঠিত কৰি উদ্যোগ কৰ্তৃপক্ষৰ বিৰুদ্ধে প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ড আৰু জিলা প্ৰশাসনক ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। প্ৰায় এটা পযেক এইধৰণে প্ৰদূষণৰ কবলত পৰিছে দুয়োখন জিলাৰ ৰাইজ। দৰং জিলাৰ ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত দুমুনিচকীৰ নিকটৱৰ্তী শিঙিমাৰীৰ কামাখ্যা বায়'ফুৰেলছ প্ৰাইভেট লিমিটেড নামৰ ইথান'ল প্ৰস্তুত কৰা উদ্যোগৰ শব্দ প্ৰদূষণৰ মাত্ৰা সামান্য কমি অহাৰ সমান্তৰালভাৱে এইবাৰ আন এক প্ৰদূষণৰ কবলত পৰিছে বৃহত্তৰ অঞ্চলৰ ৰাইজ। কামাখ্যা বায়'ফুৰেলছ প্ৰাইভেট লিমিটেড নামৰ ইথান'ল প্ৰস্তুত কৰা উদ্যোগৰ পৰা নিৰ্গত ধোঁৱাৰ পৰা বাহিৰ হোৱা বেয়া গোন্ধ আৰু প্ৰদূষণৰ ভয়ত দুমুনিচকীত মানুহে মুখত মাস্ক পিন্ধা আৰম্ভ কৰিছে। স্থানীয় ৰাইজে সদৰি কৰা মতে, কিছুদিন আগলৈকে উদ্যোগৰ পৰা ভয়াৱহ শব্দ প্ৰদূষণ হৈছিল। শব্দ প্ৰদূষণত মানুহ, জীৱ-জন্তু থাকিব নোৱাৰা পৰিৱেশ হয়। শব্দ প্ৰদূষণৰ বিষয়ে বাতৰি প্ৰকাশ পোৱাত কমি আহে শব্দ প্ৰদূষণৰ মাত্ৰা। এতিয়া কামাখ্যা বায়'ফুৰেলছ প্ৰাইভেট লিমিটেডৰ মেচিনৰ পৰা নিৰ্গত হোৱা ক'লা ধোঁৱা বায়ুৰ লগত মিহলি হৈ ক'লা ক'লা সৰু সৰু গুৰি সৃষ্টি হৈ পৰিৱেশ দূষিত কৰিছে। লগতে সহ্য কৰিব নোৱাৰা এবিধ গোন্ধ বিয়পি পৰিছে। লাহে লাহে দুমুনিচকী অঞ্চলৰ ৰাইজে কিছুদিনৰ পৰা এই ক'লা গুৰি বিলাক দেখি আতংকিত হৈ পৰে। সেউজীয়া গছৰ পাতত তৰপ পেলোৱা এই গুৰি বিলাক ভালদৰে ধৰিব পাৰি। ক'লা গুৰি পৰি গছ-গছনিৰ সেউজীয়া পাত বিলাকৰ বৰণ সলনি হৈছে। মহিলাসকলে পুৰা চোতাল সাৰি জমা কৰি থৈছে গুৰি বিলাক। ৰাইজে জানিবলৈ দিয়া মতে, এই বিলাক ইথান'ল প্ৰস্তুত কৰা কোম্পানীৰ পৰা নিৰ্গত হোৱা ধোঁৱাৰ পৰা সৃষ্টি হৈছে। ধোঁৱা আৰু ক'লা গুৰি বিলাকে মানুহৰ জীৱন ধাৰণাত বেয়া প্ৰভাৱ পেলাব বুলি সকলোৱে ধৰি লৈছে। যাৰ বাবে একাংশ লোকে মুখত মাস্ক পৰিধান কৰা আৰম্ভ কৰিছে।ইথান'ল প্ৰস্তুত কৰা বায়ু'ফুৰেলছ প্ৰাইভেট লিমিটেড নামৰ উদ্যোগটোৰ পৰা নিৰ্গত হোৱা প্ৰদূষণক কেন্দ্ৰ কৰি ইতিমধ্যে কামৰূপ আৰু দৰং জিলাৰ বৃহত্তৰ অঞ্চলৰ ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

## সৰ্বানন্দ সোণোৱালক সাক্ষাৎ ড০ বসন্ত কুমাৰ গোস্বামীৰ

# অসম সাহিত্য সভাৰ ১১কোটি টকাৰ বৃহৎ প্ৰকল্পৰ বিষয়ে আলোচনা সভাপতিৰ



**ই-সংবাদ, ডিব্ৰুগড়, ১৭ ফেব্ৰুৱাৰীঃ** 'আপুনি অসমীয়া ভাষা-সাহিত্যৰ হকে বহু কাম কৰিছে, আপোনাৰ ওপৰত অসমৰ ৰাইজৰ আস্থা আছে, আপুনি অসম সাহিত্য সভা সংস্কাৰ কৰিব পাৰিব। অসম সাহিত্য সভাৰ হেৰুওৱা গৌৰৱ, আস্থা পুনৰ ঘূৰাই আনিবলৈ আপোনাৰ ওচৰত গধুৰ দায়িত্ব আছে। অসম সাহিত্য সভাই অসমৰ ভাষা, সংস্কৃতি সংৰক্ষণৰ বাবে কাম কৰিবই লাগিব। অসম সাহিত্য সভাই অসমীয়া মানুহৰ চিন্তা-ভাৱনা যোগাত্মক দিশত আগুৱাই নিব লাগিব।- কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীক উদ্দেশ্য কৰি এনেদৰে কয়। মন্ত্ৰীগৰাকীয়ে তেওঁৰ বাসভৱনত অসম সাহিত্য সভাৰ সভাপতিগৰাকীৰে হোৱা এক দীঘলীয়া সাক্ষাৎকাৰত কয় যে তথ্যচিত্ৰ, কথাছবিকে ধৰি বিভিন্ন মাধ্যমেৰে অসমীয়া ভাষাৰ জনপ্ৰিয়তা বৃদ্ধি কৰিব পাৰি। অসমীয়াৰ অস্তিত্ব বৰ্তাই ৰাখিবলৈ অসম সাহিত্য সভাই বহু কাম কৰিব লগা আছে বুলি সদৰি কৰি তেওঁ কয় যে অসম সাহিত্য সভাৰ পূৰ্বৰ যি গৌৰৱ, সেই গৌৰৱ পুনৰ ঘূৰাই আনিবই লাগিব। অসমীয়া মানুহক গ্ৰন্থ অধ্যয়নৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰিব লাগিব, নতুন প্ৰজন্মক সাহিত্য সভাৰ প্ৰতি উৎসাহী কৰি তুলিব লাগিব বুলিও তেওঁ কয়। মন্ত্ৰীগৰাকীয়ে চিৰ চেনেহী ভাষা জননীৰ প্ৰচাৰ-প্ৰসাৰৰ ক্ষেত্ৰত নতুন উদ্যমেৰে আগুৱাই ধ্ৰুপদী ভাষাটোক বিশ্ব মানচিত্ৰত জাকত-জিলিকা কৰি তোলাৰ বাবে সৰল ভূমিকা ল'বলৈ অসম সাহিত্য সভাৰ সভাপতিগৰাকীক আহ্বান জনায়। উল্লেখ্য যে অসম সাহিত্য সভাৰ উত্তৰ-পূব ভাৰতৰ ঐতিহ্য সাংস্কৃতিক প্ৰকল্প সম্পৰ্কত তথা সংগ্ৰহালয় কৃষ্ণ কান্ত সন্দিকৈ ভৱনত নিৰ্মাণৰ বাবে প্ৰস্তাৱ আগবঢ়াই মন্ত্ৰীগৰাকীক সাক্ষাৎ কৰিছিল। উক্ত প্ৰকল্পত উত্তৰ-পূব ভাৰতৰ প্ৰতিটো জাতি-জনগোষ্ঠী, বিভিন্ন নৃগোষ্ঠীয়সকলৰ ঐতিহ্য সংৰক্ষণ আৰু সংবৰ্ধন কৰাৰ বাবে সাহিত্য সভাই পদক্ষেপ গ্ৰহণ কৰিছে। প্ৰায় ১১ কোটি টকীয়া এই বৃহৎ প্ৰকল্পৰ প্ৰাককলন কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ হাতত সভাপতিগৰাকীয়ে অৰ্পণ কৰে। মন্ত্ৰীগৰাকীয়ে অসম সাহিত্য সভাই গ্ৰহণ কৰা এই পদক্ষেপক আদৰণি জনাই প্ৰশংসা কৰে। হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা আৰু আনন্দৰাম ঢেকিয়াল ফুকন অসমীয়া ভাষাৰ ত্ৰিমূৰ্তি উপেক্ষিত হৈ আছে। অসম চৰকাৰৰ পৰায়ো স্বীকৃতি দিয়া নাই আজি পৰ্যন্ত। কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত তেওঁ লোকৰ প্ৰতিমূৰ্তি নিৰ্মাণ কৰাৰ বাবে প্ৰস্তাৱ দিয়ে সভাপতিগৰাকীয়ে। উত্তৰ পূৰ্বাঞ্চলৰ ভাষা, সংস্কৃতিৰ গৱেষণা কৰাৰ বাবে সংৰক্ষিত কৰা এক প্ৰকল্পৰ বিষয়ে অৱগত কৰে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক। আলোচনা কালত সভাৰ সভাপতিগৰাকীয়ে আন কেইবাটাও বৃহৎ প্ৰকল্পৰ কথা অৱগত কৰে। অসমৰ তিনিগৰাকী সাহিত্য কাণ্ডাৰীৰ নামত কেন্দ্ৰীয় বিশ্ববিদ্যালয়সমূহত একোটাকৈ প্ৰতিমূৰ্তি নিৰ্মাণ কৰাৰ বাবেও সোণোৱালক অনুৰোধ জনায়। উল্লেখ্য যে আজি অসম সাহিত্য সভাৰ এই বৃহৎ প্ৰকল্পৰ আলোচনা কালত সহযোগ কৰে ঐতিহ্যপূৰ্ণ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, স্তম্ভ লেখক ড০ শশীকান্ত শইকীয়া, শিৱসাগৰ জিলা সাহিত্য সভাৰ সম্পাদক সন্তোষ দত্ত, ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁই, সাহিত্য সভাৰ ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক ভুবন মোহন গোস্বামীয়ে। উল্লেখ্য যে মন্ত্ৰীগৰাকীয়ে সাহিত্য সভাৰ সভাপতিগৰাকীৰে হোৱা বিভিন্ন প্ৰকল্প, আঁচনিসমূহ ইতিবাচক দিশত বিবেচনা কৰা হ'ব বুলি আশ্বাস দিয়ে। অসম সাহিত্য সভাৰ নৱনিৰ্বাচিত সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে প্ৰথিতযশা সাহিত্যিক ড০ নগেন শইকীয়াৰ বাসগৃহ বৰ্ণমালালৈ গৈ সাহিত্যিকগৰাকীক সৌহাদ্যমূলক সাক্ষাৎ কৰে। নৱনিৰ্বাচিত সভাপতিগৰাকীয়ে অসম সাহিত্য সভা কেইবাটাও বিশেষ পদক্ষেপৰ বিষয়ে ড০ নগেন শইকীয়াক অৱগত কৰাৰ লগতে দিহা-পৰামৰ্শ বিচাৰে বুলি জানিব পৰা গৈছে।


• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
8876490887
নামভৰ্তিৰ বাবে ওপৰৰ নং ত যোগাযোগ কৰক।

## ৰেলৰ খুন্দাতো ২জনৰ মৃত্যু

# বৰপেটাৰোডত পথ দুৰ্ঘটনাত এজন থিতাতে নিহত

**ই-সংবাদ, বৰপেটাৰোড, ১৭ ফেব্ৰুৱাৰীঃ** বৰপেটাৰোডৰ বালাভিঠাৰ ৰাষ্ট্ৰীয় ঘাইপথত দেওবাৰে সন্ধিয়া এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। তীব্ৰবেগী এখন ট্ৰাকে মহটিয়াই নিয়ে এজন চাইকেল আৰোহীক। ফলত থিতাতে নিহত হয় চাইকেল আৰোহীগৰাকী। নিহত চাইকেল আৰোহীগৰাকীৰ নাম পৰিমল সূত্ৰধৰ বুলি জানিব পৰা গৈছে। পথ দুৰ্ঘটনাত নিহত লোকজনৰ ঘৰ বৰপেটাৰোডৰ চেঙেলীয়াত বুলি জানিব পৰা গৈছে। প্ৰাপ্ত খবৰ মতে, পাতিলাদহাত পাৰা নিজৰ চাইকেলেৰে বৰপেটাৰোডৰ নিজ গৃহাভিমুখী আহি থকা সময়ত বৰপেটাৰোডৰ বেঁকী নৈৰ পূব দিশত পিছফালৰ পৰা আহি থকা তীব্ৰবেগী MH-14 LB-7723 নম্বৰৰ ট্ৰাকখনে তেওঁক মহটিয়াই নিয়ে। ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ তদন্ত অব্যাহত ৰাখিছে। ইফালে, অঞ্চলটোৰ গুৱাগাছা ষ্টেচনত ৰেলৰ ইঞ্জিনৰ খুন্দাত নিহত হয় ককা আৰু নাতিৰ। গুৱাগাছা ষ্টেচনত গুৱাহাটীৰ পৰা অহা ককাকক আগবঢ়াই নিবলৈ আহিছিল নাতিয়েক। ওভতাৰ পথত ৰেলপথ পাৰ হ'বলৈ লওতেই উজনিমুৱা ৰেল ইঞ্জিনৰ খুন্দাত থিতাতে নিহত হয় ককাক আব্দুল ৰহমান (৭০) আৰু নাতিয়েক নজৰুল ইছলাম (২৫)। ককাকৰ ঘৰ বিজনীত আৰু নাতিয়েকৰ ঘৰ বৰপেটাৰোড আৰক্ষী থানাৰ অন্তৰ্গত মেচপাৰাত বুলি জানিব পৰা গৈছে। ইতিমধ্যে বৰপেটাৰোড ৰেলৰে পুলিচ উপস্থিত হৈ মৃতদেহ দুয়োটা চিনাক্ত কৰি বৰপেটা মেডিকেল কলেজলৈ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে।

# গোৱালপাৰাৰ গাৰোপাৰাত পুত্ৰই লাঠীৰে কোবাই পিতৃক কৰিলে হত্যা

**ই-সংবাদ, শিমলীতোলা, ১৭ ফেব্ৰুৱাৰীঃ** গোৱালপাৰা জিলাৰ পূব গোৱালপাৰা সমষ্টিৰ ৰংজুলি থানাৰ অন্তৰ্গত চেঁচাপানী গাৰোপাৰাত সংঘটিত হয় এক মৰ্মান্তিক হৃদয় বিদাৰক ঘটনা। কালি দিনৰ ভাগত চেঁচাপানী গাৰোপাৰা গাঁৱৰ ২২ বছৰীয়া আলিক মাৰাকে ৪৭ বছৰীয়া নিজৰ পিতৃ চেভেন মাৰাকক লাঠীৰে কোবাই হত্যা কৰে। চেঁচাপানী গাৰোপাৰাৰ গাঁওবুঢ়াই জনোৱা মতে, পিতৃ চেভেন মাৰাক আৰু মাতৃৰ মাজত চলিছিল ঘৰুৱা কাজিয়া। সেই কাজিয়াই এটা সময়ত ভয়ংকৰ ৰূপ লয়। পিতৃ-মাতৃৰ কাজিয়া সহ্য কৰিব নোৱাৰি পুত্ৰ আলিক মাৰাকে লাঠীৰে কোৱাই কোৱাই হত্যা কৰে পিতৃক। পুত্ৰই পিতৃক হত্যা কৰাৰ পিছতে অঞ্চলজুৰি চেপা উত্তেজনাই বিৰাজ কৰে। গঞা ৰাইজে হত্যাকাৰী আলিক মাৰাকক ধৰি পুলিচক গতাই দিয়ে।

# চেলেংহাটত বাঘৰ সন্ত্ৰাস, শংকিত ৰাইজ

**ই-সংবাদ, মৰিয়নি, ১৭ ফেব্ৰুৱাৰীঃ** যোৰহাট জিলাৰ চেলেংহাট কুকুৰাচোৱা গাঁৱত দীৰ্ঘদিন ধৰি বাঘে সন্ত্ৰাসৰ সৃষ্টি কৰি আহিছে। অঞ্চলটোত সন্ধিয়াৰ আন্ধাৰ নামি অহাৰ লগে লগেই গোহালিৰ পৰাই বাঘে লৈ যায় পশুধন। যোৱা নিশা গাঁওখনৰ মুকুন্দ নাথ দত্তৰ গোহালিত এটা পোৱালী গৰু বাঘে আক্ৰমণ কৰি হত্যা কৰে। গৰু পোৱালীটোৰ লগতে মাতৃৰ চিঞৰত গৃহস্থ ওলাই চিঞৰ-বাখৰ কৰাত বাঘটো পলায়ন কৰে। উল্লেখ্য যে কেইমাহমানৰ পূৰ্বেও দত্তৰ ঘৰৰ এটা ছাগলী বাঘে ভক্ষণ কৰিছিল। সেইদৰে কিছুদিন পূৰ্বে গাঁওখনৰ আনন্দ দত্ত নামৰ লোকজনৰ ঘৰৰ পৰাও বাঘে ছাগলী ভক্ষণ কৰিছিল। যোৱা কিছুদিনত অঞ্চলটোৰ বনাঞ্চল আৰু চাহ বাগানৰ মাজত পশুধনৰ আধা খোৱা পৰিত্যক্ত অংশ স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰিছে। ইয়াকে লৈ অঞ্চলটোত এক আতংকময় পৰিৱেশে বিৰাজ কৰিছে।

# গোলকগঞ্জত খেদি খেদি চিলনী চোৰ আটক

**ই-সংবাদ, গোলকগঞ্জ, ১৭ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ চহৰৰ শ্ৰীকান্ত মোৰত কালি সন্ধিয়া এগৰাকী মহিলাৰ ডিঙিৰ পৰা চেইন কাঢ়ি নিবলৈ গৈ এজন লোক আৰক্ষীৰ হাতত আটক হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, ঠাই ডোখৰত কালি চলি থকা বিয়া ঘৰৰ সন্মুখত আন দুগৰাকী মহিলাৰ লগত থিয় হৈ আছিল সাত ৱাৰ্ডৰ সত্য নন্দীৰ পত্নী কৃষ্ণা নন্দী। সেই স্থানত AS-17 K-7820 নম্বৰৰ পালছাৰ বাইক এখনত সন্দেহজনকভাৱে ঘূৰি ফুৰিছিল দুই বাইক আৰোহী। হঠাৎ এজনে মহিলাগৰাকীৰ ডিঙিৰ পৰা সোণৰ চেইন ডাল থাপ মাৰি কাঢ়ি নিয়াৰ চেষ্টা চলায় যদিও ব্যৰ্থ হয়। মহিলাগৰাকীয়ে চিঞৰ-বাখৰ কৰাত স্থানীয় ৰাইজে চোৰ দুটাক খেদি যায়। খবৰ পাই গোলকগঞ্জ থানাৰ যান-বাহন আৰক্ষীয়েও পিছে পিছে খেদি যোৱাৰ লগতে গাইখোৱা গাঁৱত থকা চিনাকি লোকক ফোনযোগে অৱগত কৰে। ৰাইজৰ সহযোগত আৰক্ষীয়ে বাইকখন আটক কৰে। ৰাইজৰ ভিৰৰ মাজতে এজন পলায়ন কৰে যদিও মিজানুৰ সৰকাৰ নামৰ চোৰটো আটক হয়।

# পি এম গৃহ কোনে পাব? ছিপাঝাৰত পঞ্চায়তে পঞ্চায়তে হিতাধিকাৰীৰ উৎসুকতা

**ই-সংবাদ, পশ্চিম দৰং, ১৭ ফেব্ৰুৱাৰীঃ** দৰঙৰ ছিপাঝাৰ উন্নয়ন খণ্ডৰ গাঁও পঞ্চায়তসমূহত পি এম গৃহ আবণ্টনৰ ক্ষেত্ৰত অনিয়ম-অনীতিৰ অভিযোগ উত্থাপিত হৈ আহিছে। ইয়াৰ চেঙেলীয়াঝাৰ গাঁও পঞ্চায়তত এনে অভিযোগ তথা অনিয়ম-অনীতি, স্বজন-শোষণৰ অভিযোগ আকৌ এখোপ চ'ৰা। বিগত সময়ত পি এম গৃহৰ নামত পঞ্চায়ত প্ৰতিনিধি-কৰ্মচাৰীয়ে গোপন বজাৰ বহুৱাই অনিয়ম-অনীতিৰে গৃহ আবণ্টন দিয়াৰ অভিযোগ একাংশ সচেতন লোকৰ। আশ্চৰ্যজনক কথা যে পি এম গৃহ পাবলৈ যিবোৰ নীতি-নিয়ম সন্নিবিষ্ট কৰা হৈছে তাক দুৰ্নীতি-অনিয়মৰ জাৰৰেৰে ঢাকি হিতাধিকাৰীৰ গৃহ আবণ্টনৰ পূৰ্বে পৰ্যবেক্ষণ কৰি আগতে চৰকাৰী গৃহ লাভ কৰা, পকীঘৰ থকা আদি হিতাধিকাৰীক আঁচনিৰ অযোগ্য বুলি বিবেচিত কৰি গৃহ আবণ্টনৰ পৰা বন্ধ কৰি কেইটামান দিনৰ পিছত আকৌ গোপন সিদ্ধান্ত মৰ্মে যোগ্যতালৈ প্ৰমোচন দি তেনে অযোগ্য হিতাধিকাৰীকে গৃহ আবণ্টন দি পঞ্চায়তখনত বিতৰ্কৰ সৃষ্টি কৰাৰ অভিযোগ উঠিছে। ইফালে, একাংশ দৰিদ্ৰ হিতাধিকাৰী প্লাষ্টিকৰ চালি, জৰাজীৰ্ণ গৃহত বসবাস কৰিবলগীয়া হৈ আহিছে। আজি বিগত বৰ্ষৰ শেষৰ ফালে পঞ্চায়তখনত আবণ্টন হোৱা গৃহক লৈ ২ অক্টোবৰত অনুষ্ঠিত বিশেষ গাঁও সভাত তীব্ৰ বাতানুবাদৰ সৃষ্টি হৈছিল। ইয়াৰ মূলতে ঘৰ বান্ধিবলৈ ঠাই নোহোৱা পকীঘৰ থকা ধনবন্ত হিতাধিকাৰীক কি পৰ্যবেক্ষণ কৰি পঞ্চায়ত কৰ্মচাৰীয়ে গৃহ আবণ্টন দিলে, যাৰ উত্তৰ বিচাৰি উত্তৰ নোপোৱাত একাংশ লোক অসন্তুষ্ট হৈ তেনে কামৰ পৰা আগলৈ বিৰত থাকিবলৈ আহ্বান জনাই আঁচনিৰ নীতি-নিয়ম বৰ্তাই যোগ্যজনক গৃহ আবণ্টন দি উপকৃত কৰিবলৈ দাবী জনায়। ইফালে, পূৰ্বতে গৃহ লাভ কৰা, পকীঘৰ থকা, ধনবন্তই চৰকাৰী গৃহ লাভ কৰাৰ বিপৰীতে জৰাজীৰ্ণ গৃহত বাস কৰা একাংশ হিতাধিকাৰী ৰহস্যজনক গৃহ লাভৰ পৰা বঞ্চিত হ'বলগীয়া হৈ অহাটো আশ্বৰ্যজনক কথা। বিশেষ গাঁও সভাত তীব্ৰ অন্তকন্দলৰ সূত্ৰপাত হোৱাক লৈ সভাৰ সিদ্ধান্ত মৰ্মে আগন্তুক দিনত গৃহ আবণ্টন হ'লে হিতাধিকাৰীৰ গৃহ পৰ্যবেক্ষণ কৰিবলৈ গাঁওসমূহত এখন এখন কমিটী গঠন কৰি দিয়া হয়। পিছে কি নীতি-নিয়মৰ মাজেৰে পি এম গৃহ আবণ্টন হয় তাক জানিবলৈ কিছুদিন বাট চাব লাগিব। এই ক্ষেত্ৰত নতুনকৈ দায়িত্ব গ্ৰহণ কৰা সচিবৰ ওপৰত সম্পূৰ্ণ বিষয়টো নিৰ্ভৰ কৰিব বুলি জানিব পৰা গৈছে।

# জি এছ পিৰ সৈতে অবড়ো সুৰক্ষা সমিতিৰ কোনো সম্পৰ্ক নাইঃ মাধৱ ৰাজবংশী

**ই-সংবাদ, বৰমা, ১৭ ফেব্ৰুৱাৰীঃ** অবড়ো সুৰক্ষা সমিতি, অসমে বিটিআৰ অঞ্চলত বসবাস কৰা অবড়ো ৰাইজৰ অস্তিত্ব ৰক্ষাৰ স্বাৰ্থত সদায়েই মাত মাতি আহিছে আৰু ভবিষ্যতেও মাতি যাব। আমি কাপুৰুষ নহয়, সিংহৰ দৰে গৰজি আছো, ভৱিষ্যতেও থাকিম। যেতিয়ালৈকে আমাৰ সমস্যাৰ সমাধান নহয় তেতিয়ালৈকে আমাৰ এই সংগ্ৰাম চলি থাকিব।- এই মন্তব্য অবড়ো সুৰক্ষা সমিতি, অসমৰ। সংগঠনটোৰ সাধাৰণ সম্পাদক মাধৱ ৰাজবংশীয়ে আজি এক বিবৃতিযোগে এইদৰে প্ৰকাশ কৰাৰ লগতে প্ৰাক্তন সাংসদ নৱ কুমাৰ শৰণীয়াৰ জিএছপিৰ সৈতে অবড়ো সুৰক্ষা সমিতিৰ কোনো সম্পৰ্ক নাই বুলি প্ৰকাশ কৰে। বিবৃতিটোত ৰাজবংশীয়ে কালি হাউলী ক্লাবত অবড়ো সুৰক্ষা সমিতিৰ এখন কেন্দ্ৰীয় কাৰ্যনিবাহক সভা অনুষ্ঠিত হোৱা বুলি উল্লেখ কৰে। সভাত সাংগঠনিক দিশত আলোচনা কৰি সাংগঠনিক ভেটি অধিক শক্তিশালী কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ উপৰি সভাই তামুলপুৰ জিলাৰ সাংগঠনিক দিশৰ ওপৰত বিস্তৃত আলোচনা কৰি তামুলপুৰ জিলা সমিতিখন তৎকালীনভাৱে ভংগ কৰি প্ৰস্তাৱ গ্ৰহণ কৰা বুলি উল্লেখ কৰে। লগতে অন্য সকলো জিলাৰ সমিতিসমূহো পুনৰ গঠন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। আকৌ আগন্তুক বিটিচি নিৰ্বাচন সম্পৰ্কত আলোচনা কৰি বিটিচি নিৰ্বাচনত প্ৰতিটো ৰাজনৈতিক দলক উচিত প্ৰত্যুত্তৰ দিবলৈ সংগঠনে নিৰ্বাচনত নিজাববীয়াকৈ প্ৰাৰ্থী প্ৰক্ষেপ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা বুলিও বিবৃতিত প্ৰকাশ কৰে। সম্পাদক ৰাজবংশীয়ে ৰাজনৈতিক দলসমূহে যিমানেই ষড়যন্ত্ৰ নকৰক কিয় অবড়ো সুৰক্ষা সমিতিক কোনেও ধ্বংস কৰিব পৰা নাই আৰু ভৱিষ্যতেও নোৱাৰে বুলি কয়। বৰ্তমানেও অবড়ো সুৰক্ষা সমিতিক ধংস কৰাৰ ষড়যন্ত্ৰ অব্যাহত আছে বুলি বিবৃতিত উল্লেখ কৰি অবড়ো সুৰক্ষা সমিতিয়ে প্ৰতিটো ৰাজনৈতিক দলক সকীয়াই দি কয় যে এই ষড়যন্ত্ৰ অনতিপলমে বন্ধ কৰক, অন্যথা যিকেইটা ৰাজনৈতিক দলে অবড়োৰ মাজত এজেণ্ট নিয়োগ কৰি অবড়োক ধ্বংস কৰাৰ ষড়যন্ত্ৰ ৰচনা কৰিছে সেইসকল ৰাজনৈতিক দলক আগন্তুক বিটিচি নিৰ্বাচনত ইয়াৰ উচিত উত্তৰ প্ৰদান কৰা হ'ব বুলিও বিবৃতিযোগে হুংকাৰ দিয়ে।

## নিমিষতে জাহ গ'ল এটা পৰিয়ালৰ একমাত্ৰ বাসগৃহ

# কুলহাটীৰ মিলনপুৰত বিধ্বংসী অগ্নিকাণ্ড

**ই-সংবাদ, শুৱালকুছি, ১৭ ফেব্ৰুৱাৰীঃ** কামৰূপ জিলাৰ হাজো আৰক্ষী থানাৰ অন্তৰ্গত কুলহাটীৰ মিলনপুৰত আজি আবেলি সংঘটিত হোৱা ভয়াৱহ অগ্নিকাণ্ডত নিমিষতে জাহ যায় এটা পৰিয়ালৰ বাসগৃহ। প্ৰাপ্ত তথ্য অনুসৰি আজি আবেলি প্ৰায় ৪.৩০ মান বজাত মিলনপুৰ নিবাসী খেতিয়ক ৰজত দাসৰ বাসগৃহত আকস্মিকভাৱে জুইৰ সূত্ৰপাত ঘটে। নিমিষতে জুইয়ে আগুৰি ধৰে বাসগৃহটোৰ চাৰিওকাষ। উল্লেখ্য যে বাসগৃহত মজুত থকা ঘৰুৱা চিলিণ্ডাৰ বিস্ফোৰণ হোৱাত বিধ্বংসী জুইত জাহ যায় একমাত্ৰ বাসগৃহটোৰ লগতে সমস্ত বয়বস্তু, কাঠৰ আচবাব, কাপোৰ কানি, বাচন- বৰ্তন, গুৰুত্বপূৰ্ণ নথি-পত্ৰ, মূল্যৱান সামগ্ৰী। স্থানীয় ৰাইজে হাজো অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়াত ঘটনাস্থলীত অগ্নিনিৰ্বাপক বাহিনী উপস্থিত হৈ জুই নিৰ্বাপণ কৰে। বাতৰি যুগুত কৰা সময়লৈকে অগ্নিকাণ্ডৰ প্ৰকৃত কাৰণ জানিব পৰা হোৱা নাই যদিও ওচৰতে থকা এটা পৰিয়ালৰ ধান খেৰৰ পুজিৰ পৰা জুইৰ সূত্ৰপাত হোৱা বুলি পৰিয়ালৰ লোকে জানিবলৈ দিছে। ইফালে, চকুৰ প্ৰচাৰতে এনেদৰে সকলো হেৰুৱাই এতিয়া চকুলোৰে বাট নেদেখা হৈছে দুৰ্ভগীয়া পৰিয়ালটো। আনহাতে, ঘটনাস্থলীত হাজো আৰক্ষী উপস্থিত হৈ আৰম্ভ কৰিছে তদন্ত।

# নাজিৰাৰ জ্যেষ্ঠ শিক্ষাবিদ মহেন্দ্ৰ নাথ গোস্বামীৰ কাষত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ

**ই-সংবাদ, গেলেকী, ১৭ ফেব্ৰুৱাৰীঃ** নাজিৰাৰ অন্যতম শিক্ষানুষ্ঠান চকীমুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা সমাজকৰ্মী মহেন্দ্ৰনাথ গোস্বামীৰ কিছুদিনৰে পৰা শাৰীৰিকভাৱে অসুস্থ হৈ আছিল। নাজিৰাৰ সমাজ জীৱনৰ লগতে নাজিৰা মহাবিদ্যালয়ৰ লগতো ওতঃপ্ৰোতভাৱে জড়িত জ্যেষ্ঠ শিক্ষাবিদ মহেন্দ্ৰ নাথ গোস্বামীৰ নাজিৰাৰ সুন্দৰপুখুৰী কোচ গাঁৱস্থিত বাসগৃহত আজি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ নাজিৰা আঞ্চলিক সমিতিৰ উপদেষ্টা তথা জিলা সাংগঠনিক সম্পাদক ভাস্কৰজ্যোতি মহন্ত, নাজিৰা আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক বিপ্লৱ গগৈ, নাজিৰা কলেজ গোটৰ উপদেষ্টা অভিজিৎ ফুকন, বিকাশ হাজৰিকা, সভাপতি আফিছা ৰহমান, উপ-সভাপতি ৰঞ্জনা দত্ত, সাধাৰণ সম্পাদক অভিজিৎ কোঁৱৰৰ সহিতে এটি প্ৰতিনিধি দলে আহি উপস্থিত হৈ তেখেতৰ স্বাস্থ্যৰ বুজ লয়। সংগঠনৰ সদস্যসকলে তেখেতৰ লগতে পৰিয়ালবৰ্গৰ সৈতে বাৰ্তালাপ কৰাৰ লগতে মহেন্দ্ৰ নাথ গোস্বামীৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে।

# ডিব্ৰুগড়ৰ খনীয়াগাঁও নামঘৰ তোৰণৰ নিৰ্মাণ কামৰ শুভাৰম্ভ

**ই-সংবাদ, ডিব্ৰুগড়, ১৭ ফেব্ৰুৱাৰীঃ** অসম চৰকাৰৰ 'দৰ্শন আঁচনি'ৰ অনুদানেৰে ডিব্ৰুগড়ৰ খনীয়া গাঁৱত ভকত-আইমাতৃসকলৰ উপস্থিতিত মাংগলিক উৰুলি ধ্বনিৰে নতুনকৈ আৰম্ভ কৰা খনীয়াগাঁও নামঘৰ তোৰণৰ খুঁটাত আজি শিল, বালি, চিমেণ্ট আদি ঢালি নামঘৰ পৰিচালনা সমিতিৰ সভাপতি তথা ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত কৃতী শিক্ষক, সাহিত্যিক, বিশ্লেষক গঙ্গেশ্বৰ শইকীয়াই শুভাৰম্ভ কৰে। তেওঁ বহুদিনীয়া অভাৱ এটা পূৰণ হৈছে বুলি মত প্ৰকাশ কৰাৰ লগতে চৰকাৰৰ ফালৰ পৰা ৩ লাখ টকা অনুদান দিয়া বাবে অসম চৰকাৰক ধন্যবাদ জনায়। এই কাৰ্যত বিশেষভাৱে সহায় কৰা অভিযন্তা ৰূপম গগৈৰ শইকীয়াই শলাগ লয়। মাংগলিক অনুষ্ঠানত নামঘৰীয়া ভাগ্যৰাম শইকীয়া, নিবাৰণ গোহাঁই ফুকন, নামঘৰ পৰিচালনা সমিতিৰ সম্পাদক মদন চন্দ্ৰ কোঁৱৰৰ লগতে স্থানীয় বহুতো লোক উপস্থিত থাকে।

# নামতি পিয়লি ফুকন শাখা সাহিত্য সভাৰ দ্বি-বাৰ্ষিক অধিৱেশন

**ই-সংবাদ, আমগুৰি, ১৭ ফেব্ৰুৱাৰীঃ** শিৱসাগৰ জিলাৰ সাহিত্য সভাৰ অন্তৰ্গত নামতি পিয়লি ফুকন শাখা সাহিত্য সভাৰ প্ৰথম দ্বি-বাৰ্ষিক অধিৱেশনখনি আজি খেজুৰিতলস্থিত জ্ঞানজ্যোতি বিদ্যাপীঠত আয়োজন কৰা হয়। পুৱা শাখাৰ প্ৰতিষ্ঠাপক সভাপতি দেৱযানী মহন্তই পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণ কৰে জ্ঞানজ্যোতি বিদ্যাপীঠৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী ডিম্পী চেতিয়াই। নামতি শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰৱক্তা অমিয়া মহন্তই বন্তি প্ৰজ্বলন কৰি মুকলি সভাৰ মঞ্চ মুকলি কৰে। উক্ত সভাত বিশিষ্ট কবি প্ৰেম গগৈ আৰু গেলেকী মহাবিদ্যালয়ৰ অধ্যক্ষা জ্যোতি গগৈক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। শাখাৰ প্ৰতিষ্ঠাপক সম্পাদক দেৱযানী শইকীয়া গগৈয়ে প্ৰতিবেদন পাঠ কৰাৰ পাছতেই নামতি প্ৰেছ ক্লাবৰ সভাপতি ৰাতুল শৰ্মাই শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। শাখাৰ সাংগঠনিক কৰ্মত বিশেষ সহযোগিতা আগবঢ়োৱাৰ বাবে শাখাৰ সহকাৰী সম্পাদক শিখা বুঢ়াগোহাঁইক এই বৰ্ষৰ শ্ৰেষ্ঠ সংগঠকৰ সন্মান প্ৰদান কৰে। উক্ত সভাত প্ৰতিষ্ঠাপক সভাপতি দেৱযানী মহন্ত আৰু সম্পাদক দেৱযানী শইকীয়া গগৈয়ে নৱ-নিৰ্বাচিত সভাপতি মল্লিকা বেগম উপ-সভাপতি অসমা টুংখুঙীয়া আৰু সম্পাদক মনিষা শইকীয়াক শাখাৰ দায়িত্ব অৰ্পণ কৰে। মুকলি সভাত জ্ঞানজ্যোতি বিদ্যাপীঠৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিচিত্ৰানুষ্ঠানে সকলোকে আকৰ্ষিত কৰে। অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী সুমিত্ৰা গগৈ, শিক্ষয়িত্ৰী জিনুমণি আৰন্ধৰা, মমী বৰুৱা, হিমাশ্ৰী গগৈকে ধৰি বহুসংখ্যক গণ্য মান্য ব্যক্তি উপস্থিত থকা সভাত শিৱসাগৰ জিলা সাহিত্য সভাৰ নৱ-নিৰ্বাচিত উপ-সভাপতি জীৱন কলিতা আৰু সম্পাদক মনোজ গগৈয়ে শাখাৰ নৱ-নিৰ্বাচিত বিষয়ববীয়াক শুভেচ্ছা জনায় আৰু আগন্তুক দিনত ন-উদ্যমেৰে ন-পৰিকল্পনাৰে শাখাটিক আগবঢ়াই নিবলৈ আহ্বান জনায়।

# নাৰীবাদী সুলেখিকা, সমাজকৰ্মী জুনু বৰালৈ ৰাজবালা দাস ৰাষ্ট্ৰীয় বঁটা

**ই-সংবাদ, বেবেজীয়া, ১৭ ফেব্ৰুৱাৰীঃ** নাৰী সৱলীকৰণৰ হকে কাম কৰি অহা বিশিষ্ট নাৰী অধিকাৰ কৰ্মী, সমাজ সংগঠক, সুলেখিকা, সমাজকৰ্মী তথা 'জোনাকী বাট' নামৰ প্ৰগতিশীল মহিলা আৰু সমাজ সম্পৰ্কীয় আলোচনীৰ সম্পাদিকা জুনু বৰালৈ এইবাৰ আগবঢ়োৱা হৈছে ২০২৫ বৰ্ষৰ ৰাজবালা দাস ৰাষ্ট্ৰীয় বঁটা। অহা ৮ মাৰ্চৰ আন্তৰ্জাতিক নাৰী দিৱসৰ দিনা গুৱাহাটীৰ মাছখোৱাস্থিত আই টি এ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পৰ প্ৰেক্ষাগৃহত গুৱাহাটীৰ সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ উদ্যোগত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত এই বঁটাটি বিশিষ্ট নাৰীবাদী লেখিকাগৰাকীক আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব। আচলতে, নাৰী শিক্ষা আৰু নাৰী মুক্তিৰ বাবে উল্লেখনীয় ভূমিকা গ্ৰহন কৰা, অসমৰ স্ত্ৰী শিক্ষাৰ বাটকটীয়া, অসমৰ প্ৰথমগৰাকী মহিলা গ্ৰেজুৱেট তথা গুৱাহাটীৰ সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষা ৰাজবালা দাসৰ নামত এই বঁটা ২০২৪ চনৰে পৰা প্ৰদান কৰি অহা হৈছে। এই বঁটাত আছে নগদ ৫০ হাজাৰ টকা, বিশেষভাৱে নিৰ্মাণ কৰা এটি স্মাৰক আৰু এখন চাদৰৰ লগতে প্ৰশস্তি পত্ৰ ।

উল্লেখ্য যে, অসমৰ প্ৰায় ৰুচিশীল পাঠকৰ বাবেই জুনু বৰা এটি অতিকে চিনাকি নাম। প্ৰায়বোৰ বাতৰি কাকত, আলোচনী আদিত চিন্তাশীল তত্বগধুৰ নিবন্ধ লিখি পাঠকসকলক চিন্তাৰ খোৰাক যোগোৱা প্ৰগতিশীল লেখিকা জুনু বৰাই ঘাইকৈ নাৰীৰ অধিকাৰৰ হকে আৰু লিংগ বৈষম্যৰ বিৰুদ্ধে স'ততে মাত মাতি আহিছে। ইতিমধ্যে তেওঁৰ বহুকেইখন উৎকৃষ্টমানৰ গ্ৰন্থ প্ৰকাশ হৈ ওলাইছে। ইয়াৰ ভিতৰত 'লিংগ বৈষম্য', 'শৃংখল ছিঙাৰ আহ্বান', লিংগ ইছ্যু, পাৰিপাৰ্শ্বিকতা আৰু উন্নয়ণ বিষয়ক গ্ৰন্থ 'ভিন্ন প্ৰসংগ', অনুবাদ গ্ৰন্থ 'নাৰীৰ মূল্য', 'দুৰন্ত ঝটিকা অঞ্জলি লাহিড়ী', 'নাৰীঃউনবিংশ শতিকাৰ পৰা বিংশ শতিকালৈ' আৰু 'সবলীকৰণৰ ছাঁ পোহৰত নাৰী' অন্যতম । ইয়াৰে 'নাৰীঃউনবিংশ শতিকাৰ পৰা বিংশ শতিকালৈ' শীৰ্ষক গ্ৰন্থখনৰ বাবে তেওঁ ২০২৩ চনৰ পুষ্পাদেৱী জালান সাহিত্য বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। ঠিক সেইদৰে বহু গ্ৰন্থ আৰু আলোচনীৰ সম্পাদনাৰ লগত জড়িত জুনু বৰাই তেওঁৰ কৰ্মৰাজিৰ স্বীকৃতিস্বৰূপে ২০২১ বৰ্ষৰ বাবা চাহেব আম্বেদকাৰ বঁটাও লাভ কৰিছিল।

# সোঁৱৰী সত্ৰত বাৰ্ষিক গোন্ধ চৌপৰী সবাহ

**ই-সংবাদ, দুমুনিচকী, ১৭ ফেব্ৰুৱাৰীঃ** ছিপাঝাৰৰ মাৰৈৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীৰঘুনাথ সোঁৱৰী সত্ৰত সন্পূৰ্ণ বৈদিক আৰু আধ্যাত্মিক তথা পৰম্পৰাগতভাৱে বাৰ্ষিক গোন্ধ চৌপৰী সবাহখন দুদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হৈ আজি সামৰণি পৰে। ১৬ ফেব্ৰুৱাৰীত পুৱা পৰিবেশ নিকাকৰণ কাৰ্যসূচীৰে শুভাৰম্ভ হোৱা পিছত ৭.৩০ বজাত গোন্ধ চৌপৰী সবাহৰ বন্তি প্ৰজ্বলন কৰে সত্ৰৰ উন্নয়ন সমিতিৰ সভাপতি গজেন দাস আৰু সত্ৰৰ দেউৰী ভূপেন দাসে। ৭.৪০ বজাত ধৰ্মধ্বজা উত্তোলন কৰে উদযাপন সমিতিৰ সভাপতি সূৰ্য কুমাৰ দাসে। ৮ বজাত গছপুলি ৰোপণ কৰে বাবুল দাস, সোণেশ্বৰ দাস, দিবাকৰ দাসে। ৮ বজাত স্মৃতি তৰ্পণ কৰে মীন উন্নয়ন বিষয়া জ্যোতিষ চন্দ্ৰ দাসে। দিনৰ ১১.৩০ বজাৰ পৰা অনুষ্ঠিত মহিলাৰ নাম প্ৰদৰ্শন পিছত দিনৰ ১ বজাত পূজাৰ বেদী স্থাপন আৰু শৰাই নিবেদন কৰে পুৰোহিত ক্ষিৰোদ শৰ্মা, পুৰোহিত ভূপেন শৰ্মাই। পুঠি পাঠ কৰে পাঠক নৱ কুমাৰ দাসে। সন্ধিয়া ৭ বজাত ভোটা প্ৰজ্বলন কৰে দিগন্ত দাসে। নিশা ৯ বজাৰ পৰা আৰম্ভ হোৱ খুলীয়া ভাওনা প্ৰদৰ্শনৰ শুভ উদ্বোধন কৰে অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী কুঞ্জৰাম দাসে। আজি পুৱা ৬ বজাত চাফাই অভিযানেৰে আৰম্ভ হৈ ৮ বজাত পানীতোলা আৰু শৰাই নিবেদন কৰাৰ পিছত বিষ্ণু হোম অনুষ্ঠান অনুষ্ঠিত হয়। দিনৰ ১ বজাত ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত ওজাশিল্পী তীৰ্থ নাথ আৰু সংগীবৃন্দৰ ওজাপালি প্ৰদৰ্শনৰে গোন্ধ চৌপৰী সবাহৰ সামৰণি পৰে।

# চৰকাৰী স্বীকৃতিপ্ৰাপ্ত সাংবাদিকলৈ শুভেচ্ছামূলক উপহাৰ

**ই-সংবাদ, খাৰুপেটীয়া, ১৭ ফেব্ৰুৱাৰীঃ** দৰঙৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাগৃহত আজি চৰকাৰী স্বীকৃতিপ্ৰাপ্ত সাংবাদিকসকললৈ মুখ্যমন্ত্ৰীৰ শুভেচ্ছামূলক উপহাৰ প্ৰদান অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতীয়ে সাংবাদিকসকলে বৃহত্তৰ জনগণৰ স্বাৰ্থত উন্নয়নৰ স্বাৰ্থত সংবাদসেৱা পৰিৱেশন কৰিব বুলি আশা প্ৰকাশ কৰে। তেওঁ বাতৰিসমূহ গঠনমূলকভাৱে আগবঢ়াই দিবলৈ সাংবাদিকসকলক আহ্বান জনায়। সমাজৰ উন্নয়ন আৰু প্ৰগতিত সাংবাদিকসকলে গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ ভূমিকাৰ ওপৰত আলোকপাত কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ শুভেচ্ছামূলক উপহাৰ গ্ৰহণ কৰি মংগল বাতৰিৰ মুখ্য সম্পাদক প্ৰশান্ত বৰুৱা, সাংবাদিক ৰঞ্জিত কুমাৰ নাথ, আবুল খায়েৰ আৰু মকচেদ আলিয়েও বক্তব্য আগবঢ়ায়। নৱবৰ্ষত এনেদৰে শুভেচ্ছামূলক উপহাৰ আগবঢ়োৱাৰ বাবে সাংবাদিকসকলে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ শলাগ লয়। অনুষ্ঠানত জিলা আয়ুক্তগৰাকীয়ে সাংবাদিকসকলৰ হাতত এই শুভেচ্ছামূলক উপহাৰ তুলি দিয়ে। অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত মানস শইকীয়া, সহকাৰী আয়ুক্ত তথা ভাৰপ্ৰাপ্ত জিলা তথ্য আৰু জনসংযোগ বিষয়া ইহচানুল হুছেইন, জিলাখনৰ স্বীকৃতিপ্ৰাপ্ত সাংবাদিকসকল উপস্থিত থাকে। উল্লেখ্য যে দৰং জিলাত ৪৭ গৰাকী চৰকাৰী স্বীকৃতিপ্ৰাপ্ত সাংবাদিক আছে। জিলাখনৰ চৰকাৰী স্বীকৃতিপ্ৰাপ্ত সাংবাদিকসকললৈ এই শুভেচ্ছামূলক উপহাৰ আগবঢ়োৱা হৈছে।

# নগাঁৱৰ বুজন পৰিমাণৰ ড্ৰাগছসহ আটক কুখ্যাত সৰবৰাহকাৰী

**ই-সংবাদ, বেবেজীয়া, ১৭ ফেব্ৰুৱাৰীঃ** অসম আৰক্ষীয়ে কঠোৰ স্থিতি অৱলম্বন কৰিলেও ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰে নগাঁও জিলাটো আৰক্ষীৰ নিৰাপত্তা ব্যৱস্থাক ভেঙুচালি কৰি অসাধু চক্ৰই নিষিদ্ধ ড্ৰাগছৰ বেহা নিৰ্বিঘ্নে চলাই আহিছে। ইয়াৰ মাজতে জিলাখনৰ উত্তৰ-পশ্চিম প্ৰান্তৰ দগাঁও আৰক্ষী পহৰা চকীৰ এলেকাধীন ধিংগাঁৱত বুজন পৰিমাণৰ নিষিদ্ধ ড্ৰাগছৰ সৈতে এটা কুখ্যাত সৰবৰাহকাৰী আৰক্ষীৰ জালত পৰাৰ বাতৰি পোৱা গৈছে। ধৃত ড্ৰাগছ সৰবৰাহকাৰীটোৰ নাম হৈছে ইলিয়াছ উদ্দিন। আচলতে, এক গোপন সূত্ৰৰ খবৰৰ ভিত্তিত দগাঁও আৰক্ষী পহৰা চকীৰ ভাৰপ্ৰাপ্ত বিষয়া পিংকু ফুকনৰ নেতৃত্বত আৰক্ষীৰ দলে দেওঁবাৰে নিশা ধিংগাঁৱত ড্ৰাগছৰ বিৰুদ্ধে অতৰ্কিতে অভিযান চলায়। উক্ত অভিযানত ড্ৰাগছভৰ্তি তিনিটা কন্টেইনাৰসহ কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰীটোক আৰক্ষীয়ে হাতে-লুতে কৰায়ত্ত কৰিবলৈ সক্ষম হয়।

# অবৈধ কুকুৰা যুঁজ, জুৱাৰ আড্ডা! ডিমাকুছিত অসামাজিক কাৰ্যকলাপ বৃদ্ধি

**ই-সংবাদ, ডিমাকুছি, ১৭ ফেব্ৰুৱাৰীঃ** ওদালগুৰি জিলাৰ ভাৰত-ভূটান সীমান্ত অঞ্চলসমূহত অবৈধ কাম-কাজসমূহ কাঠফুলাৰ দৰে গঢ় লৈ উঠিছে। বিশেষকৈ জিলাখনৰ ডিমাকুছি, বাদলাপাৰা, গৰুৱাঝাৰ, আটাবীখাট, বামুনজুলি, চামৰাং, ৰজাগড়, দেউচুঙাকে ধৰি বিভিন্ন প্ৰান্তত অহৰ্নিশে একাংশ অসাধু লোকে প্ৰশাসনৰ চকুত ধূলি মাৰি অবৈধভাৱে চলাই আহিছিল কুকুৰা যুঁজ, জুৱা, বিলাতী সুৰাৰ ৰমৰমীয়া ব্যৱসায়। যাৰ পৰিণতিত উঠি অহা নৱপ্ৰজন্মৰ জীৱনৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। এই ক্ষেত্ৰত বিভিন্ন দল-সংগঠনে মাত মাতি আহিছে যদিও এই অসাধু চক্ৰটোৱে কেৰেপ নকৰে কাকো। আবকাৰী বিভাগ আৰু প্ৰশাসনক বুঢ়া আঙুলি দেখুৱাই পূৰ্বতকৈও অত্যাধিক মাত্ৰাত কাঠফুলাৰ দৰে গঢ়ি তুলিছে অসামাজিক কাম-কাজসমূহ। ঠায়ে-ঠায়ে মুকলিকৈ জুৱাৰ আড্ডা, কুকুৰা যুঁজৰ প্ৰতিযোগিতা, গাঁৱে-ভূঞে, হাট-বজাৰ সকলোতে দেশী-বিদেশী সুৰাৰ ৰমৰমীয়া ব্যৱসায় চলাই আহিছে। পিছে এইবাৰ ডিমাকুছি আৰক্ষীয়ে তীক্ষ্ণ চোকা দৃষ্টি চলাইছে এইসকল অসাধু ব্যক্তিয়ে চলাই অহা অসামাজিক কাম-কাজৰ ওপৰত। ডিমাকুছি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মহানন্দ ভূঞাই প্ৰতিদিনে দিনে-নিশাই এফালৰপৰা চলাইছে উচ্ছেদ অভিযান। আজি ডিমাকুছি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মহানন্দ ভূঞা আৰু উপ-পৰিদৰ্শক চহিদুল ইছলামৰ নেতৃত্বত যোৱা আৰক্ষী দলৰ এক অভিযানত ডিমাকুছি আৰক্ষী থানাৰ অন্তৰ্গত কালানদীৰ পাৰত চলোৱা কুকুৰা যুঁজ উচ্ছেদ কৰে। কেইবাটাও স্থানত চলা জুৱাৰীক বিচাৰি অভিযান চলোৱাৰ সময়ত সকলোৱে আৰক্ষী দেখি পলাই পত্ৰং দিয়ে। ইফালে কেইবাদিনো ধৰি বিভিন্ন প্ৰান্তত অবৈধভাৱে সুৰা বিক্ৰী কৰা অঞ্চলসমূহতো তীব্ৰ অভিযান চলাই আহিছে ডিমাকুছি আৰক্ষীয়ে। ডিমাকুছি আৰক্ষী থানাৰ আৰক্ষী বিষয়াৰ এনে পদক্ষেপক সচেতন মহলৰ লগতে স্থানীয় ৰাইজে ভূঁয়সী প্ৰশংসা কৰে।

# নামনি মাজুলীৰ প্ৰসিদ্ধ ঢুলীয়া শিল্পী মহেন্দ্ৰ ওজাৰ মৃত্যু

**ই-সংবাদ বিশেষ, মাজুলী, ১৭ ফেব্ৰুৱাৰীঃ** মাজুলী জিলাৰ নামনি মাজুলীৰ প্ৰসিদ্ধ ঢুলীয়া শিল্পী, বিশিষ্ট পেঁপা বাদক, কৌপতীয়া গাঁৱৰ বাসিন্দা মহেন্দ্ৰ ওজাৰ আজি পুৱা মৃত্যু হয়। নামনি মাজুলীৰ এসময়ত প্ৰখ্যাত ঢুলীয়াৰূপে জনপ্ৰিয়তা লাভ কৰা মহেন্দ্ৰ ওজা এজন প্ৰচাৰ বিমুখ শিল্পী আছিল। নামনি মাজুলী কৰতিপাৰ, আঁহতগুৰি গাঁও পঞ্চায়তৰ বহুতো প্ৰজন্মক ঢোল আৰু পেঁপা বাদ্যৰ প্ৰশিক্ষণ প্ৰদান কৰা মহেন্দ্ৰ ওজাই ঢোল বাদ্যৰ পুৰণি সকলো ছেও নতুন প্ৰজন্মক শিকাই দিছিল। তেওঁ অগণন ছাত্ৰ-ছাত্ৰীক ঢুলীয়া শিল্পী ৰূপে গঢ় দিছিল। মহেন্দ্ৰ ওজা এজন দিহানামৰো জনপ্ৰিয় নামতি আছিল। পুৰণি দিহানামৰ সকলো দিহা আৰু পদ তেওঁ বিশেষ পাৰদৰ্শিতাৰে নামঘৰত পৰিৱেশন কৰিছিল। নামনি মাজুলীৰ সকলো নামঘৰত তেওঁ দিহানাম পৰিৱেশন কৰি ৰাইজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল।অতি দুখৰ বিষয় যে মহেন্দ্ৰ ওজাই চৰকাৰৰ ওচৰত শিল্পী পেঞ্চনৰ বাবে বাৰম্বাৰ আবেদন নিবেদন কৰিও কোনো সুফল নাপালে। বহু প্ৰজন্মৰ নমস্য শিল্পী মহেন্দ্ৰ ওজাই চৰকাৰৰ ঘৰৰ পৰা কিবা এটা সাহায্য পাম পাম বুলিয়েই আশা বুকুত বান্ধিয়েই মৃত্যুবৰণ কৰে। দীৰ্ঘদিন ধৰি শৰ্যাশায়ী হৈ থকা মহেন্দ্ৰ ওজাৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৮২ বছৰ। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ চাৰিজন পুত্ৰ, বোৱাৰী, কেইবাগৰাকী নাতি নাতিনী ইহসংসাৰত এৰি থৈ গৈছে। জনপ্ৰিয়, সৰবৰহী, ঢুলীয়া শিল্পী মহেন্দ্ৰ ওজাৰ মৃত্যুত নামনি মাজুলীত গভীৰ শোকৰ ছাঁ পৰিছে।

# গোলকগঞ্জত বন পৰিবহণ বিভাগৰ নেতৃত্বত চলিছে অবৈধ মাটি, বালি খনন

**ই-সংবাদ, গোলকগঞ্জ, ১৭ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ বৃহত্তৰ গোলকগঞ্জ এলেকাত বন বিভাগ আৰু পৰিবহণ বিভাগৰ নিৰ্লিপ্ত ভূমিকাত ছিণ্ডিকেট চক্ৰই অবৈধভাৱে নদীত বালি খনন কৰাৰ লগতে কৃষি ভূমি ধ্বংস কৰি ইটা ভাটাসমূহত মাটিৰ যোগান ধৰা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰাৰ সময়তে পৰিবহণ বিভাগে কালি দুখন ট্ৰেক্টৰ ধৰি মনে বিচৰা ধৰণে জৰিমনা বিহি নিজৰ অস্তিত্ব জাহিৰ কৰিব বিচৰা ঘটনাই অঞ্চলটোত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, গোলকগঞ্জ সমষ্টিৰ ডাঙৰ সমস্যা হ'ল গংগাধৰ নদীৰ গৰাখহনীয়া। বাৰিষাত গংগাধৰ নদীৰ গৰাখহনীয়াই ভয়ংকৰ ৰূপ লয়। হেক্টৰে হেক্টৰে কৃষিভূমি নদীৰ বুকুত জাহ যায়। গৃহহীন হ'ব লগা হয় অজস্ৰ পৰিয়াল। গৰাখহনীয়াৰ তাণ্ডৱৰ মূলতে হ'ল খৰালিত নদীৰ বুকুত চলা অবৈধ বালি খনন। বন বিভাগক মেনেজ কৰি বালি মাফিয়াই চলায় অবৈধ বালি খনন। এইবাৰো গোলকগঞ্জৰ দীনেশ চন্দ্ৰ সৰকাৰ দলঙৰ উত্তৰ দক্ষিণ দুয়োটা দিশত বন বিভাগৰ লগত আলোচনা কৰি দিনৰ পোহৰত প্ৰকাশ্যে বালি খনন চলি আছে। একাংশ শ্ৰমিকৰ হতুৱাই উক্ত দুটা স্থানত বালি খনন কাৰ্য চলাৰ বিপৰীতে পূৰ্ণী গাঁৱত মুকলিভাৱে জেচিবিৰে বালি খনন কৰাৰ অভিযোগ উত্থাপিত হৈছে। জেচিবিৰে বালি খনন কৰি পূৰ্ণী হৰিৰহাট বৰোচৰাইখোলা আদি গাঁৱৰে বিপজ্জনকভাৱে চলাচল কৰি আছে একাংশ পঞ্জীয়ন বিহীন ট্ৰেক্টৰ। নথি-পত্ৰ বিহীন ট্ৰেক্টৰৰ দৌৰাত্ম্যত অঞ্চলটোত এক বিভীষিকাময় পৰিস্থিতিৰ সৃষ্টি হৈছে যদিও ৰহস্যজনকভাৱে পৰিবহণ বিভাগ নীৰৱ ভূমিকা গ্ৰহণ কৰাৰ অভিযোগ উত্থাপিত হৈছে। আনহাতে, বন বিভাগৰ ছত্ৰছায়াত কৃষি ভূমি ধ্বংস চলিছে বালাজানৰ মটৰৰঝাৰ লটকা বৰুণডাঙা আদিৰ লগতে আগমনিৰ জিনকাটা, ঘৰিয়ালডাঙা, খেৰবাৰী ভামডাঙা, লোহাজানী আঠঘৰীটাৰী সোনাখুলী আদি অঞ্চলত। ধুবুৰী ছাগলীয়া মটৰৰঝাৰ বন বিভাগক মেনেজ কৰি কৃষি ভূমি খনন কৰি হকে বিহকে গঢ়ি উঠা ইটা ভাটা সমূহত ট্ৰেক্টৰ ডাম্পাৰেৰে মাটি যোগান ধৰি আহিছে। অভিযোগ মতে, ট্ৰেক্টৰসমূহৰ নথি-পত্ৰ নথকাৰ লগতে ডাম্পাৰসমূহৰো নথি-পত্ৰ নাই। তদুপৰি সৰহ সংখ্যক ডাম্পাৰেই বিদেশৰ পঞ্জীয়নভুক্ত। এটা চক্ৰই ভূটানৰ পঞ্জীয়নভুক্ত ডাম্পাৰ আনি অবৈধভাৱে চলাই আছে এই ব্যৱসায়। বন আৰু পৰিবহণ বিভাগৰ বিৰুদ্ধে দীৰ্ঘদিনৰ পৰা অভিযোগ চলি থকাৰ মাজতে কালি দুপৰীয়া পৰিবহণ বিভাগৰ বিষয়া পৰাগ দত্তৰ নেতৃত্বত এটা দলে গোলকগঞ্জ দীনেশ চন্দ্ৰ সৰকাৰ দলঙৰ ওপৰত এখন ট্ৰেক্টৰ আটক কৰি সাংবাদিকৰ সন্মুখত বত্ৰিশ হাজাৰ পাঁচশ টকা জৰিমনা বিহে। ট্ৰেক্টৰৰ কমিটীয়ে যুক্তি-তৰ্ক কৰাত চহৰতে আন এখন ট্ৰেক্টৰ ধৰিবলৈ বাধ্য হয় যদিও মাত্ৰ বাইশ হাজাৰ টকা জৰিমনা বিহে। এনে বৈষম্যক লৈ সিহঁতৰ নিজৰ ভিতৰত প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। আশ্চৰ্যকৰ যে নিচেই কাষতে গোলকগঞ্জ মাদ্ৰাছাৰ কাষতো বলি খনন চলি আছে। কালি উক্ত স্থানৰ পৰা বালি কঢ়িওৱা ট্ৰেক্টৰসমূহ পৰিবহণ বিভাগৰ দলটোৱে আটক নকৰা ঘটনা ৰাইজৰ মাজত ব্যাপক সমালোচনাৰ সৃষ্টি কৰে। একদৰে আগমনি এলেকাৰ খেৰবাৰী, ভামডাঙা, জিনকাটা, ঘৰিয়ালডাঙা লোহাজানী আদিত অবৈধভাৱে চলি থকা ট্ৰেক্টৰসমূহৰ ক্ষেত্ৰতো পৰিবহণ বিভাগে নীৰৱ ভূমিকা গ্ৰহণ কৰিছে।

# নলবাৰী জিলা সাহিত্য সভাৰ 'নলবাৰী ৰত্ন সন্মান' ড০ শৈলেন ভড়ালীলৈ

**ই-সংবাদ ব্যৰ', নলবাৰী, ১৭ ফেব্ৰুৱাৰীঃ** নাট্য সংস্কৃতিৰ পুৰোধা, বিশিষ্ট সাহিত্যিক-শিক্ষাবিদ অধ্যাপক ড০ শৈলেন ভড়ালীক নলবাৰী জিলা সাহিত্য সভাই নলবাৰী ৰত্ন সন্মানেৰে বিভুষিত কৰিব। আনহাতে, শিক্ষাৰত্ন অভিধাৰে সন্মানিত কৰিব বিশিষ্ট সাহিত্যিক, জ্ঞান পৰম্পৰাৰ পথ প্ৰদৰ্শক কনক চন্দ্ৰ শৰ্মাক আৰু সাহিত্য সুহৃদ সন্মানেৰে সন্মানিত কৰিব সাহিত্যাচাৰ্য ড০ পৰাগ কুমাৰ ভট্টাচাৰ্যক। নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ড০ লীনা ডেকা আৰু সম্পাদক পংকজ বেজবৰুৱা স্বাক্ষৰিত এক প্ৰেছ বিজ্ঞপ্তিত আজি এই কথা প্ৰকাশ কৰিছে। প্ৰতি দুই বছৰৰ বিৰতিত জিলা সাহিত্য সভাই এই বঁটা প্ৰদান কৰি আহিছে। বিগত ২০২০-২৩ কাৰ্যকালত ক্ৰমে উক্ত বঁটা লাভ কৰিছিল প্ৰেচিডেন্ট চাৰ্টিফিকেট অব অনাৰ সন্মান প্ৰাপক অধ্যাপক ৰাজেন্দ্ৰ শৰ্মা, সাহিত্য একাডেমী বঁটা বিজয়ী অধ্যাপক দীপক কুমাৰ শৰ্মা আৰু মৰণোত্তৰভাৱে ভাৱে জিলা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সম্পাদক অধ্যাপক হৰেন্দ্ৰ নাথ শৰ্মাই। এইবেলি উক্ত বঁটাসমূহ প্ৰদান কৰা হ'ব অহা ২৩ ফেব্ৰুৱাৰীত। নলবাৰী জিলা সাহিত্য সভাৰ ২০২৩- ২৫ কাৰ্যকালৰ অধিবেশনৰ লগত সংগতি ৰাখি ড০ লীনা ডেকাৰ সভাপতিত্বত আয়োজন কৰা উক্ত গৌৰৱময় অনুষ্ঠানটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব অসমৰ জ্যেষ্ঠ কেবিনেট মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই। মুখ্য অতিথিৰ আসন শুৱনি কৰিব অসম সাহিত্য সভাৰ নৱ নিৰ্বাচিত উপ-সভাপতি পদুম ৰাজখোৱা, বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকিব সাহিত্য সভাৰ নৱ নিৰ্বাচিত প্ৰধান সম্পাদক দেৱজিৎ বৰা। অধিৱেশন সাফল্যমণ্ডিত কৰিবলৈ বিশিষ্ট নাট্যকাৰ, সাহিত্যিক ধ্ৰুৱজ্যোতি শৰ্মাক সভাপতি, ড০ ৰবীন দাস, হৰিমোহন তালুকদাৰক উপ-সভাপতি, নৰেন্দ্ৰ মজুমদাৰক সম্পাদক আৰু শশীন্দ্ৰ শৰ্মা, নৱ তালুকদাৰ, ৰুবুল বৰ্মনক সহকাৰী সম্পাদকৰ দায়িত্ব প্ৰদান কৰি এখন শক্তিশালী আদৰণী সমিতি গঠন কৰি দিছে নলবাৰী জিলা সাহিত্য সভাই। এই সভাতেই বিশিষ্ট শিক্ষাবিদ, সাহিত্যসেৱী, বৰনগৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ বীৰেন কুমাৰ চক্ৰৱৰ্তীয়ে আনুষ্ঠানিকভাৱে সভাপতিৰ দায়িত্বত আসীন হ'ব। আদৰণি সমিতিৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মা আৰু সম্পাদক নৰেন্দ্ৰ মজুমদাৰে জনোৱা অনুসৰি সভাৰ প্ৰাৰম্ভত সৰ্বজনৰ মংগল কামনাৰে বন্তি প্ৰজ্বলন, শ্বহীদ তৰ্পণ, নলবাৰী জিলাৰ পৰা গৈ অসম সাহিত্য সভাৰ প্ৰতিষ্ঠা কালত ৰূপকাৰ হৈ পৰা শৰৎ চন্দ্ৰ গোস্বামী, প্ৰাক্তন সভাপতি ৰঘুনাথ চৌধাৰী, ত্ৰৈলোক্যনাথ গোস্বামী, গিৰিধৰ শৰ্মা, প্ৰাক্তন প্ৰধান সম্পাদক ড০ হেমন্ত কুমাৰ শৰ্মা, ত্ৰৈলোক্য ভট্টাচাৰ্য, দুৰ্গেশ্বৰ শৰ্মা আদি যশস্বী ভাষা জননীৰ সেৱকক বিশেষ ভাৱে স্মৰণ কৰা হ'ব। স্মৰণ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানলৈ নিমন্ত্ৰণ জনোৱা হৈছে বিশিষ্ট ব্যক্তি, সদৌ অসম কৰ্মচাৰী পৰিষদ, সদৌ অসম ছাত্ৰ সন্থা, জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদকে ধৰি নলবাৰীৰ বিদ্বৎ সমাজ তথা সাংবাদিক, সাহিত্য সেৱক তথা সু সংগঠকক। আনহাতে, জিলা সাহিত্য সভাৰ সম্পাদক পংকজ বেজবৰুৱাই ২৩ তাৰিখে পুৱা ১০ বজাৰ পৰা আয়োজন কৰা প্ৰতিনিধি সভাত প্ৰতিখন শাখাৰ পৰা ৫ জনকৈ প্ৰতিনিধিক অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। প্ৰতিনিধিসকলে কোনো মাচুল দিব নালাগে।

# ঐতিহাসিক ধোদৰ আলিৰ পুনৰ নিৰ্মাণৰ দাবীত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ প্ৰতিবাদ

**ই-সংবাদ, মৰিয়নি, ১৭ ফেব্ৰুৱাৰীঃ** অসম চৰকাৰৰ 'অসম মালা'ৰ অধীনত ঐতিহাসিক ধোদৰ আলিৰ যোৰহাট জিলাৰ মৰিয়নি সমষ্টিৰ অন্তৰ্গত নকছাৰী মাছখোৱাৰ পৰা শিৱসাগৰ জিলাৰ নাজিৰা বালিঘাট লৈকে প্ৰায় ৪৩ কিলোমিটাৰ পথ পুনৰ নিৰ্মাণৰ দাবীত আজি চেলেংহাটৰ কলিয়াপানীত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ চেলেংহাট আঞ্চলিক শাখাই দুঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী পালন কৰে। উল্লেখ্য যে ২১৩ কোটি আবণ্টন প্ৰাপ্ত এই পথছোৱা শিৱ হৰলালকা মালিকানাধীন M/s Spinfra-VM (JV) নামৰ প্ৰতিষ্ঠানটোৱে ২০২৩ চনৰ জানুৱাৰীৰ পৰা নিৰ্মাণ কাম্যআৰম্ভ কৰিছিল যদিও অতি নিম্ন মানদণ্ডৰ কামৰ লগতে আধাতে কাম এৰি দিয়াৰ বাবে আজি এই প্ৰতিবাদী কাৰ্যসূচী হাতত লয়। কৃষক মুক্তি সংগ্ৰাম সমিতিৰ চেলেংহাট শাখাৰ বিভিন্নজন বিষয়ববীয়াৰ লগতে যোৰহাট জিলা সমিতিৰ সভাপতি অৰিন্দম গগৈ, যুটীয়া সম্পাদক তপন ফুকন আৰু বৰুন লাহন, কেন্দ্ৰীয় মুখ্য সাংগঠনিক সম্পাদক ৰিতুমণি হাজৰিকা, মৰিয়নি সমষ্টিৰ ৰাইজৰ দলৰ সভাপতি বিকাশ চেতিয়া, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় উপ-সভাপতি ৰবীন হাজৰিকা, প্ৰাক্তন জিলা সভাপতি উমেশ বৰা, সমাজকৰ্মী ইন্দ্ৰেশ্বৰ গগৈকে ধৰি বহুকেইজন ব্যক্তি উপস্থিত হৈ অৱস্থান ধৰ্মঘট কাৰ্যসূচীত মুখ্যমন্ত্ৰী হুচিয়াৰ, বিজেপি গ' বেক, গড়কাপ্তানী মন্ত্ৰীৰ কাম নাই, আদি বিভিন্ন শ্ল'গানেৰে পথটিৰ পুনৰ নিৰ্মাণৰ দাবীত এক প্ৰতিবাদ সাব্যস্ত কৰি স্মাৰক পত্ৰ প্ৰেৰণ কৰে।

# জলবায়ু পৰিৱৰ্তনক লৈ গোলকগঞ্জত বাটৰ নাট

**ই-সংবাদ, গোলকগঞ্জ, ১৭ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ সমজিলাৰ গোলকগঞ্জ ৰাজহ চক্ৰ এলেকাত আজিৰে পৰা বানপানী আৰু জলবায়ু পৰিৱৰ্তনৰ বিষটোৰ ওপৰত সজাগতা অনাৰ উদ্দেশ্যে সুৰক্ষিত অসমৰ বাবে বাটৰ নাট শীৰ্ষক এক কাৰ্যসূচী আৰম্ভ কৰা হয়। গোলকগঞ্জ ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ উদ্যোগত, ধুবুৰী জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ আৰু অসম ৰাজ্যিক ব্যৱস্থাপনা প্ৰাধিকৰণৰ সহযোগত ১৮ ফেব্ৰুৱাৰীলৈকে চলিবলগীয়া সজাগতামূলক এই বাটৰ নাট মূলতঃ জিলাখনৰ বানপানী প্ৰৱন অঞ্চলবোৰত অনুষ্ঠিত কৰা হ'ব। উল্লেখ্য যে এই বাটৰ নাটৰ শুভাৰম্ভৰ সৈতে সংগতি ৰাখি আজি গোলকগঞ্জ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় চৌহদত এক বিশেষ কাৰ্যসূচীও অনুষ্ঠিত হয়। উক্ত কাৰ্যসূচীতেই বাটৰ নাটৰ কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে ফ্লেগ অফ কৰি শুভ উদ্বোধন কৰে গোলকগঞ্জ সমজিলাৰ সমজিলা আয়ুক্ত জগদীশ ব্ৰহ্মাই। আজিৰ সেই কাৰ্যসূচীত উপস্থিত থাকে গোলকগঞ্জ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া জাহ্নৱী সোনোৱাল, গোলকগঞ্জৰ খণ্ড উন্নয়ন বিষয়া ৰতন সাহাকে ধৰি এই বাটৰ নাট প্ৰস্তুত কৰা জিলাখনৰ শিল্পীসকল।

# নেইষ্টৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰীক সম্বৰ্ধনা

**ই-সংবাদ, পশ্চিম যোৰহাট, ১৭ ফেব্ৰুৱাৰীঃ** নেইষ্টৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী, পৰ্বতীয়া গাঁৱৰ ৰূপৰাম শইকীয়াক ১৭ ফেব্ৰুৱাৰী সাহপুৰীয়া গাঁৱত সম্বৰ্ধনা জনায়। ১২-১২-১৯৪৯ তাৰিখত জন্মগ্ৰহণ কৰা আৰু ১২-৩-২০২৩ তাৰিখত মৃত্যু বৰণ কৰা, নেইষ্টৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী, সাহপুৰীয়া গাঁৱৰ নিবাসী ভাইমন শইকীয়াৰ বছৰেকীয়া শ্ৰাদ্ধত পৰিয়ালৰ লোকে একোজনকৈ শুভাকাংক্ষী সম্বৰ্ধনা জনাই আহিছে। যোৱা বছৰত চাৰিঙীয়া গাঁৱৰ, সহকৰ্মী ফটিক বেজক সম্বৰ্দ্ধনা জনোৱাৰ পাছত এই বছৰ সহকৰ্মী ৰূপৰাম শইকীয়াক সম্বৰ্ধনা জনায়। আৰম্ভণিতে ভাইমন শইকীয়াৰ প্ৰতিচ্ছবি প্ৰতিষ্ঠা কৰি পত্নী মণি শইকীয়াই সন্মুখত ধূপ-দীপ প্ৰজ্বলন কৰে আৰু পৰিয়ালৰ লোকসকলৰ লগতে উপস্থিত থকা ভকত-বৈষ্ণৱ, আইসকলে পুষ্পাঞ্জলি অৰ্পণ কৰে। উল্লেখ্য যে, ভাইমন শইকীয়া আছিল নেইষ্টৰ কৰ্মচাৰী, সমাজকৰ্মী, সংস্কৃতিৰ সংগঠক, দাতা আৰু অভিনেতা।

# ঐতিহাসিক বলদেৱ শিৱ মন্দিৰত শিৱৰাত্ৰি পূজাৰ ব্যাপক আয়োজন

**ই-সংবাদ, ছিপাঝাৰ, ১৭ ফেব্ৰুৱাৰীঃ** ইতিহাস প্ৰসিদ্ধ দৰঙী কোঁচ ৰজা ধৰ্ম নাৰায়ণৰ দিনতে ইয়াৰ নায়কপাৰা গাঁৱত খন্দোৱা বলদেৱ পুখুৰীৰ পাৰস্থিত মহিমামণ্ডিত বলদেৱ শিৱ মন্দিৰত প্ৰতি বছৰৰ দৰে এই বেলিও অহা ২৬ ফেব্ৰুৱাৰী তাৰিখে শিৱমন্দিৰ পৰিচালনা সমিতি আৰু বলদেৱ তৰুণ সংঘৰ উদ্যোগত শ্ৰীশ্ৰী মহাশিৱ ৰাত্ৰি পূজাৰ ব্যাপক আয়োজন কৰা হৈছে। ইতিমধ্যে পূজাভাগিৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থাপনাৰ পূৰ্ণ প্ৰস্তুতিত ব্যস্ত হৈ পৰিছে তৰুণ সংঘৰ সদস্যৰ লগতে কৰ্মীসকল। কাৰ্যসূচী অনুসৰি সেইদিনা পুৱা প্ৰভাত ফেৰী আৰু পৰিৱেশ নিকাকৰণৰ পিছতে মন্দিৰৰ নৈমিত্তিক মাঙ্গলিক পূজা বিধি সম্পন্ন হোৱাৰ পিছত মহাশিৱ ৰাত্ৰি পূজাৰ যথা বিহিত আনুষ্ঠানিকতাৰ সমান্তৰালভাৱে নিশা ৮ বজাৰ পৰা মন্দিৰ প্ৰাংগণত প্ৰদৰ্শন হ'ব এখনি মহিলাৰ নাগাৰা নাম। মন্দিৰৰ মহা শিৱৰাত্ৰী পূজা ভাগি আৰু নাগাৰা নামত ভক্তিপ্ৰাণ ৰাইজৰ সহায় সহযোগিতা কামনা কৰিছে আয়োজক সমিতিয়ে।

# বীণাপাণি জ্যোতিষ কাৰ্যালয়ৰ উদ্যোগত ১৯ সংখ্যক শিৱৰাত্ৰি মহোৎসৱ

**ই-সংবাদ, মিৰ্জা, ১৭ ফেব্ৰুৱাৰীঃ** বিগত বৰ্ষবোৰৰ দৰে এইবেলিও বীণাপাণি জ্যোতিষ কাৰ্যালয়ৰ স্বত্বাধিকাৰী জ্যোতিষী অপূৰ্ব দেৱ শৰ্মাৰ নেতৃত্বত সম্পূৰ্ণ একক প্ৰচেষ্টাত অহা ২৬ ফেব্ৰুৱাৰী, বুধবাৰৰ পৰা ২৮ ফেব্ৰুৱাৰী, শুকুৰবাৰলৈ তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ১৯ সংখ্যক শিৱৰাত্ৰি মহোৎসৱ বিজয়নগৰ দখলাত আয়োজন কৰা হৈছে। এই পূজাৰ পহিলা দিনা অৰ্থাৎ ২৬ ফেব্ৰুৱাৰীত পুৱা চাফাই অভিযান, অখণ্ড বন্তি প্ৰজ্বালন, বৃক্ষৰোপণ, পতাকা উত্তোলন, মুখ্য দ্বাৰ মুকলি, শোভাযাত্ৰা, শিৱক আদৰণি, বিশাল শোভাযাত্ৰা, প্ৰতিমা স্থাপন, ধৰ্মীয় মঞ্চ মুকলি,নিমন্ত্ৰিত অতিথিসকলক সম্বৰ্ধনা, আয়তি নাম, দিহা নাম, খোলনাম পৰিৱেশন, ঘট বৰণ, শিৱ পূজা আৰম্ভ আদি কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। বিশেষ আকৰ্ষণ হিচাপে থাকিব গণেশ বাবাৰ মানৰ প্ৰতিমা প্ৰদৰ্শন, গৰেমাৰী শ্ৰীশ্ৰী গোপীনাথ ছোৱালী নাগাৰা নাম দলৰ নাম পৰিৱেশন আৰু নহিৰা একালব্য থিয় নাম পৰিৱেশন। লগতে তিনি দিনত তিৰিশটা নামৰীয়া দলৰ নাম পৰিৱেশনৰ অন্তত প্ৰসাদ বিতৰণ কৰা হ'ব। ২৭ ফেব্ৰুৱাৰীত শাস্ত্ৰ পাঠ, নাম পৰিৱেশন, ভৰ্তি মাচুল বিহীন একক আধুনিক নৃত্য প্ৰতিযোগিতা, সাংস্কৃতিক মঞ্চ মুকলি আদি কাৰ্যসূচী অনুষ্ঠিত হ'ব। দ্বিতীয় দিনৰ বিশেষ আকৰ্ষণ হিচাপে থাকিব কণ্ঠশিল্পী বলদেৱ দাস, জিতুল পৰশ, নৰস্মিতা মেধীৰ গীতৰ শৰাই। ২৮ ফেব্ৰুৱাৰীত শাস্ত্ৰ পাঠ, নাম পৰিৱেশন, মঞ্চ মুকলিৰ লগতে তৃতীয় দিনৰ বিশেষ আকৰ্ষণ হিচাপে থাকিব মায়ং ধামখুন্দা পঞ্চানন নাট্য পৰিষদৰ নাট প্ৰদৰ্শন। বীণাপাণি জ্যোতিষ কাৰ্যালয়ৰ উদ্যোগত আয়োজিত মহাশিৱৰাত্ৰি মহোৎসৱৰ কাৰ্যসূচীত উদ্যোক্তা অপূৰ্ব দেৱ শৰ্মাই ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতি কামনা কৰিছে। জ্যোতিষী অপূৰ্ব দেৱ শৰ্মাৰ একক প্ৰচেষ্টাত আয়োজন কৰা মহাশিৱৰাত্ৰি মহোৎসৱ দক্ষিণ কামৰূপৰ ভিতৰত এখন নিৰ্দিষ্ট বিশেষ পূজাৰূপে পৰিগণিত হ'বলৈ সক্ষম হৈছে।

# 'কবিকৃষ্ণ হিলআৰ্ট' স্বাস্থ্য সেৱাৰ ডিজিটেল এপ মুকলি

**ই-সংবাদ ,শুৱালকুছি, ১৭ ফেব্ৰুৱাৰীঃ** শুৱালকুছিৰ সন্তান প্ৰৱাসী অসমীয়া ডাঃ বিকুল দাসৰ নেতৃত্বত শুৱালকুছি-হাজো অঞ্চলৰ কৰ্কট ৰোগীক বিনামূলীয়া স্বাস্থ্য সেৱা আৰু গ্ৰাম্য স্বাস্থ্য সেৱা আগবঢ়োৱা প্ৰতিষ্ঠান কবিকৃষ্ণ দূৰ চিকিৎসা সেৱাৰ ৩০ বৰ্ষপূৰ্তি অনুষ্ঠান আজি শুৱালকুছি কলেজ ৰ'ডত থকা কবিকৃষ্ণ দূৰ চিকিৎসা সেৱাৰ টেলি মেডিকেয়াৰ কেন্দ্ৰত গাম্ভীৰ্যপূৰ্ণভাৱে উদযাপন কৰা হয়। অনুষ্ঠানত কৰ্কট ৰোগ বিশেষজ্ঞ ডাঃ বিকুল দাসৰ নেতৃত্বত কবি কৃষ্ণ হিলআৰ্ট নামৰ এটি ডিজিটেল স্বাস্থ্য সেৱাৰ এটি এপ মুকলি কৰা হয়। প্ৰৱাসী অসমীয়া কেলিফৰ্ণিয়াৰ চিলিকন ভেলিৰ টেক লিডাৰ Open AI ত কৰ্মৰত ধ্ৰুৱ বৰঠাকুৰ আৰু মাইক্ৰছফ্টত কৰ্মৰত মানস গোস্বামীৰ সহযোগত এই এপটি নিৰ্মাণ কৰা হয়। এই এপৰ জৰিয়তে যিকোনো এগৰাকী ৰোগীৰ বাবে যিকোনো স্থানৰ পৰাই কবিকৃষ্ণ দূৰ চিকিৎসা সেৱাৰ ৰোগী-সমন্বয়ৰক্ষী আৰু চিকিৎসকৰ লগত প্ৰত্যক্ষ যোগাযোগ সম্ভৱপৰ হৈ উঠাৰ লগতে তেওঁলোকৰ স্বাস্থ্য সম্বন্ধীয় শেহতীয়া তথ্যসমূহো লাভ কৰিব পাৰিব। এই এপটো বিশেষকৈ কৰ্কট ৰোগীসকলৰ বাবে অত্যন্ত উপযোগী হ'ব, যাৰ জৰিয়তে নিৰৱচ্ছিন্নভাৱে তেওঁলোকৰ চিকিৎসাৰ সম্পূৰ্ণ অভিলেখ,ৰোগীৰ খতিয়ান আৰু যত্ন সুচাৰুৰূপে কৰিব পৰা যাব। অনুষ্ঠানটিৰ আৰম্ভণিতে হেম ভাইয়ে বন্তি প্ৰজ্বলন কৰা অনুষ্ঠানত উপস্থিত থাকে মাক্ৰছ'ফ্টৰ মানস গোস্বামী, ধ্ৰুৱ বৰঠাকুৰ, গুৱাহাটী এইমছৰ চিকিৎসক ডাঃ দ্বীপজ্যেতি কলিতা, সঞ্জীৱ ৰাউতৰ লগতে কবি কৃষ্ণ দূৰ চিকিৎসা সেৱাৰ বিষয়া-কৰ্মীসকলৰ লগতে অঞ্চলটোৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি। অনুষ্ঠানটিৰ আঁত ধৰে কবিকৃষ্ণ দূৰ চিকিৎসা সেৱা কেন্দ্ৰৰ কৰ্মী ড০ লিখিকা পাঠকে।ৰোগীৰ খতিয়ান আৰু যত্ন সুচাৰুৰূপে কৰিব পৰা যাব। অনুষ্ঠানটিৰ আৰম্ভণিতে হেম ভাইয়ে বন্তি প্ৰজ্বলন কৰা অনুষ্ঠানত উপস্থিত থাকে মাক্ৰছ'ফ্টৰ মানস গোস্বামী, ধ্ৰুৱ বৰঠাকুৰ, গুৱাহাটী এইমছৰ চিকিৎসক ডাঃ দ্বীপজ্যেতি কলিতা, সঞ্জীৱ ৰাউতৰ লগতে কবি কৃষ্ণ দূৰ চিকিৎসা সেৱাৰ বিষয়া-কৰ্মীসকলৰ লগতে অঞ্চলটোৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি। অনুষ্ঠানটিৰ আঁত ধৰে কবিকৃষ্ণ দূৰ চিকিৎসা সেৱা কেন্দ্ৰৰ কৰ্মী ড০ লিখিকা পাঠকে।

# দেওবন্দ মাদ্ৰাছাৰ পৰা মৌলানা পাছ কৰি সুনাম কঢ়িয়াই আনিলে তাপেশ্বাৰাৰ ৰাশিদুল ইছলামে

**ই-সংবাদ, কলগাছিয়া, ১৭ ফেব্ৰুৱাৰীঃ** বৰপেটা জিলাৰ নৱগঠিত মন্দিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত কলগাছিয়াৰ এখন অতি ভিতৰুৱা এলেকা তাপেশ্বৰা গাঁৱৰ ৰাশিদুল ইছলাম নামৰ যুৱকজনে গৌৰৱ কঢ়িয়াই আনিলে অঞ্চলবাসীলৈ। অতি দৰিদ্ৰ পৰিয়ালত জন্মগ্ৰহণ কৰি সুদূৰ উত্তৰ প্ৰদেশৰ দেওবন্দ মাদ্ৰাছাৰ পৰা তাপেশ্বৰা গাঁৱৰ জয়নাল আব্দিনৰ পুত্ৰ ৰাশিদুল ইছলামে মাত্ৰ ২৫ বছৰ বয়সতে মৌলানা পাছ কৰাত আনন্দত উৎফুল্লিত হৈ পৰিছে সমগ্ৰ অঞ্চলবাসী। অতি কম সময়ৰ ভিতৰত পবিত্ৰ কোৰাণ মুখস্থ কৰি কোৰাণৰ হাফিজ পাছ কৰি তেওঁ কাৰী বিভাগত নাম ভৰ্তি কৰি উত্তীৰ্ণ হয়। পিছে বিশ্বৰ ভিতৰত এক বিশেষ নাম থকা উত্তৰ প্ৰদেশৰ দেওবন্দ মাদ্ৰাছাত মৌলানা পঢ়াৰ বাবে নামভৰ্তি কৰে আৰু সুদীৰ্ঘ ১২ বছৰৰ এখন দীঘলীয়া ইছলামিক পাঠ্যক্ৰমৰ যাত্ৰাৰে সফলভাৱে উত্তীৰ্ণ হৈ মুছলমান সমাজৰ মাজত এক ভোটাতৰা সদৃস জিলিকি উঠিছে। উল্লেখ্য যে, অতি কম সময়ৰ ভিতৰত ৰাশিদুল ইছলামে মৌলানা পাছ কৰি মুছলমান সমাজৰ মাজত হৈ পৰিছে নয়নৰ মণি। ৰাশিদুল ইছলামৰ এই সফলতাত তাপেশ্বৰা গাঁৱৰ বিভিন্নজনে অভিনন্দন জনোৱাৰ লগতে উৎফুল্লিত হৈছে সমগ্ৰ তাপেশ্বৰাবাসী। তদুপৰি ৰাশিদুল ইছলামে অহা বছৰত মুফতি পঢ়াৰ বাবে ব্যাপক কুজ-কাৱাজ চলাইছে বুলি জানিব পৰা গৈছে। ৰাশিদুল ইছলামৰ পঢ়াৰ প্ৰতি এনে আগ্ৰহক ভূয়সী প্ৰশংসা কৰাৰ লগতে তেওঁৰ দীৰ্ঘায়ু কামনা কৰিছে বৃহত্তৰ তাপেশ্বৰা অঞ্চলবাসীয়ে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# আগন্তুক বিটিচি পৰিষদীয় নিৰ্বাচনত নিজাববীয়াকৈ প্ৰাৰ্থী দিব অবড়ো সুৰক্ষা সমিতিয়ে

**ই-সংবাদ, মুছলপুৰ, ১৭ ফেব্ৰুৱাৰীঃ** বিটিচি পৰিষদীয় নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বিটিচিৰ ৰাজনৈতিক প্ৰেক্ষাপট ক্ৰমাৎ সলনি হ'ব ধৰিছে। ৰাজনৈতিক দলসমূহে নিজা কায়দাৰে কুচ-কাৱাজ আৰম্ভ কৰাৰ সমান্তৰালভাৱে স'তত বিটিচিৰ পৰিষদীয় নিৰ্বাচনত অংশ লোৱা ৰাজনৈতিক সংগঠনসমূহেও যো-জা আৰম্ভ কৰা পৰিলক্ষিত হৈছে। অবড়ো সুৰক্ষা সমিতিয়ে এই লৈ আজি অনুষ্ঠিত কৰা কেন্দ্ৰীয় কাৰ্যনিবাহক সভাত কেবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে। অবড়ো সুৰক্ষা সমিতিৰ সভাপতি ললিত হেম্ৰমৰ সভাপতিত্বত অনুষ্ঠিত সভাত আগন্তুক বিটিচি পৰিষদীয় নিৰ্বাচনত বিটিচিৰ প্ৰতিটো সমষ্টিতে নিজাববীয়াকৈ প্ৰাৰ্থী প্ৰক্ষেপ কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰে। লগতে নিষ্ক্ৰিয় সমিতিসমূহ সক্ৰিয়কৰণ, জিলা সমিতিসমূহ পুনৰ গঠন, সংগঠনৰ বিৰুদ্ধাচৰণ কৰা সদস্যক বহিষ্কাৰকৰণ ইত্যাদিকে ধৰি কেবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে উক্ত কাৰ্যনিবাহক সভাই। সভাত অবড়ো সুৰক্ষা সমিতিৰ সভাপতি ললিত হেম্ৰম, সম্পাদক মাধৱ ৰাজবংশী, মুখপাত্ৰসকলকে ধৰি কেবাগৰাকীও নেতা আৰু সদস্য উপস্থিত থাকে।

# স্থায়ী শিক্ষক অবিহনে চলি আছে চৰকাৰী বিদ্যালয়

**ই-সংবাদ, শিমলীতোলা, ১৭ ফেব্ৰুৱাৰীঃ** বৰপেটা জিলাৰ মন্দিয়া শিক্ষা খণ্ডৰ অন্তৰ্গত ৮৬৭ নং ফুলনৈ চৰ এম ই স্কুলত প্ৰায় একশ দহজন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে মাত্ৰ তিনিজন টিউটৰ শিক্ষকে পাঠাদান দি আছে। শ্বাহজাহান আলী আহমেদ নামৰ এজন স্থায়ী শিক্ষক আছে যদিও বৰ্তমান চি আৰ চি চি হিচাপে কৰ্মৰত। সমগ্ৰ শিক্ষাৰ নিয়ম মতে চি আৰ চি চি হ'বলৈ হ'লে একক/দ্বৈত শিক্ষক থকা বিদ্যালয়ৰ শিক্ষক যোগ্য নহয়। প্ৰধান শিক্ষক/প্ৰধান শিক্ষকো যোগ্য নহয়। হাই পি টি আৰ স্কুলৰ শিক্ষক যোগ্য নহয় (নিম্ন প্ৰাথমিকৰ ক্ষেত্ৰত পি টি আৰ ১:৩০তকৈ বেছি হ'ব নালাগে, উচ্চ প্ৰাথমিকৰ ক্ষেত্ৰত পি টি আৰ ১:৪০তকৈ বেছি হ'ব নালাগে আৰু হাইস্কুলৰ ক্ষেত্ৰত পি টি আৰ ১:৪০তকৈ বেছি হ'ব নালাগে)। আবেদনকাৰী শিক্ষকক বাদ দি বিদ্যালয়ৰ পি টি আৰ গণনা কৰিব লাগিব। সেই হিচাপত বৰ্তমান চি আৰ চি চি জন প্ৰাথমিক বিদ্যালয়ৰ স্থায়ী নিযুক্তি লাভ কৰে, য'ত ৫৮ জন ছাত্ৰ-ছাত্ৰী আছে। অৱশ্যে পৰৱৰ্তী সময়ত ওচৰৰে ৮৬৭ নং ফুলনৈ চৰ এম ই স্কুলৰ লগত একলগ কৰি দিয়াত ১১০ ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে তিনিজন টিউটৰ শিক্ষক আৰু এজন স্থায়ী শিক্ষক সাহজাহান আলী আহমেদক লৈ চাৰিজন শিক্ষক যদিও পেৰেণ্ট স্কুল বা চি আৰ চি চি এলেকাৰ কোনো স্কুলতে কোনো দিনে পাঠদান নকৰাকৈ নীতি বহিৰ্ভূতভাৱে দীৰ্ঘদিন ধৰি চৰকাৰী দৰমহা ভোগ কৰি অহাৰ লগতে ছাত্ৰ অনুপাতে শিক্ষক নথকাৰ ফলত ছাত্ৰ-ছাত্ৰীয়ে উপযুক্ত শিক্ষা লাভৰ পৰা বঞ্চিত হোৱাৰ পিছত চি আৰ চি চি সাহজাহান আলী আহমেদক চৰকাৰী নীতি-নিৰ্দেশনা উলংঘা কৰি মন্দিয়া প্ৰাথমিক শিক্ষা বিষয়া মাধৱ পাটগিৰিয়ে কি স্বাৰ্থত চি আৰ চি চি কৰি ৰাখিছে বুলি সচেতন ৰাইজে প্ৰশ্ন উত্থাপন কৰিছে। লগতে স্কুলখনত দীৰ্ঘদিন ধৰি ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক লৈ টনা-আঁজোৰা চলি থকাৰ মাজতে এজন মাত্ৰ স্থায়ী শিক্ষক যদিও বৰ্তমান চি আৰ চি চি হিচাপে কাম কৰি থকাৰ ফলত বাকি তিনিজন টিউটৰ শিক্ষকৰ মাজৰ পূৰ্বৰ এম ই স্কুলৰ প্ৰধান শিক্ষক আব্দুল হুছাইন ভূঞা জইনিং হিচাপে জ্যেষ্ঠতাৰ ভিত্তিত ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক দায়িত্বত আছিল যদিও চক্ৰান্তমূলকভাৱে চি আৰ চি চি সাহজাহান আলী আহমেদৰ সহযোগত মন্দিয়া প্ৰাথমিক শিক্ষা বিষয়া মাধৱ পাটগিৰিয়ে জ্যেষ্ঠতাৰ নীতি পৰিহাৰ কৰি জ্যেষ্ঠজনৰ এন অ' চি নোলোৱাকৈ নিজ ইচ্ছাৰে পূৰ্বৰ সহকাৰী শিক্ষক শুকুৰ মাহমুদক ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক হিচাপে নিৰ্দেশনা জাৰি কৰা ঘটনাই বিতৰ্কৰ সৃষ্টি কৰিছে। শিক্ষকৰ অভাৱ পূৰণ কৰিবলৈ এজন মাত্ৰ স্বায়ী শিক্ষক সাহজাহান আলী আহমেদক চি আৰ চি চি পদ কৰ্তন কৰি স্থায়ী শিক্ষক হিচাপে প্ৰধান শিক্ষকৰ দায়িত্ব দিবলৈ বিষয়টো জিলা আয়ুক্তৰ লগতে শিক্ষা বিভাগৰ উচ্চ পৰ্যায়ৰ বিষয়াক তদন্ত সাপেক্ষে ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে সচেতন মহলে।

# মুছলপুৰত ভাৰতীয় ইতিহাস সংকলন সমিতিৰ সভা

**ই-সংবাদ, মুছলপুৰ, ১৭ ফেব্ৰুৱাৰীঃ** ভাৰতীয় সংস্কৃতি, প্ৰাচ্যবিদ আৰু আমাৰ পূৰ্বপুৰুষসকলৰ জ্ঞানৰ প্ৰতি সৰ্বসাধাৰণৰ হৃদয়ত শ্ৰদ্ধা, আগ্ৰহ, অভিৰুচি আৰু সচেতনতা জগাবলৈ অখিল ভাৰতীয় ইতিহাস সংকলন সমিতিয়ে ভাৰতৰ বিভিন্ন ঠাইত বক্তৃতানুষ্ঠানৰ লগতে সংস্কৃতি আৰু পুৰাতত্ত্ব সম্পৰ্কীয় অনুসন্ধান কাৰ্যৰ উপৰি আলোচনী, মুখপত্ৰ আদি প্ৰকাশৰ ব্যৱস্থা কৰি আহিছে। এনে এক প্ৰেক্ষাপটতে দেওবাৰে বাক্সা জিলাৰ মুছলপুৰস্থিত ৰেইনব' একাডেমীত এখন বিশেষ সাধাৰণ সভা অনুষ্ঠিত হয়। ভাইসস, বৰপেটাৰ উপ-সভাপতি প্ৰফুল্ল চন্দ্ৰ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত সভাত ভাইসস, অসমৰ কাৰ্যকৰী সভাপতি জুলা শৰ্মা, ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক তপন কলিতা, নামনি অসম প্ৰান্তৰ সংগঠন সচিব সোমনাথ অলুকদাৰ, বাক্সা জিলাৰ সংযোজক ভাস্কৰ নাথে ভাৰতীয় ইতিহাস সংকলন সমিতিৰ লক্ষ্য, উদ্দেশ্য, সুদূৰ প্ৰসাৰী চিন্তা আৰু কাৰ্যপন্থা সন্দৰ্ভত বক্তব্য প্ৰদান কৰে। উক্ত সভাতে ড০ ৰমেশ দাসক সভাপতি, ড০ ভৱেশ শৰ্মাক উপ-সভাপতি, অশোক তহবিলদাৰক কাৰ্যকৰী সভাপতি, ড০ বাপন কলিতাক সাধাৰণ সম্পাদক, ড০ উৎপল ডেকা আৰু অমৰেন্দ্ৰ দাসক সহকাৰী সম্পাদক, ড০ তপন চন্দ্ৰ কলিতা আৰু হীৰেন নাথক সাংগঠনিক সম্পাদক, কনক কুমাৰ কলিতাক কোষাধ্যক্ষ হিচাপে লৈ ভাইসসৰ বাক্সা জিলা সমিতিখন গঠন কৰা হয়। সভাত সমাজ জীৱনৰ বিভিন্ন দিশত জড়িত বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# নগৰবেৰা-বামুণদংৰা সংযোগী ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণৰ দাবী

**ই-সংবাদ, নগৰবেৰা, ১৭ ফেব্ৰুৱাৰীঃ** কামৰূপ জিলাৰ নগৰবেৰাৰ পৰা বৰপেটা জিলাৰ দক্ষিণপাৰৰ খোলাবান্ধা হৈ বামুণদংৰাক সংযোগ কৰি ব্ৰহ্মপুত্ৰৰ ওপৰত আৰু এখন বৃহৎ দলং নিৰ্মাণ কৰা হব বুলি ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিধানসভাৰ মজিয়াত দিয়া বক্তব্য কাৰ্যকৰী কৰাৰ বাবে বিশেষভাৱে আহ্বান জনাইছে ৰাইজে। একাংশ লোকে ব্যক্ত কৰা মতে, বৰপেটা জিলাৰ বৰ্তমানৰ চেঙা সমষ্টিৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰৰ তিনি লক্ষাধিক লোক এসময়ত অবিভক্ত কামৰূপ জিলাৰ বাসিন্দা আছিল যদিও পৰৱৰ্তী সময়ত নতুনকৈ গঠন হোৱা বৰপেটা জিলাৰ লগত সংলগ্ন কৰা হয় এইসকল লোকক। ৰাজনৈতিক স্বাৰ্থৰ বাবেই সম্পূৰ্ণ একপক্ষীয়ভাৱে এইসকল লোকক ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিকভাৱে বশ কৰাৰ বাবেই অযুক্তিকৰভাৱে বৰপেটা জিলাৰ সৈতে চামিল কৰা হয়। সেই সময়ৰ চৰকাৰৰ প্ৰশাসন যন্ত্ৰৰ এনে ভুল তথা অন্যায়ৰ বিৰোধিতা কৰি ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰৰ চৰাঞ্চলৰ লোককসকলক কামৰূপ অথবা গোৱালপাৰাৰ সৈতে চামিলকৰণৰ বাবে গণতান্ত্ৰিকভাৱে আন্দোলনো কৰিছিল অঞ্চলটোৰ শিক্ষিত লোকসকলে। কিন্তু দুৰ্ভাগ্যজনকভাৱে অঞ্চলবাসীৰ আন্দোলন আৰু ন্যায্য দাবীক গুৰুত্বহীন কৰি বৰপেটাৰ সৈতেই চামিল কৰা হয়। তেতিয়াৰ চৰকাৰৰ ভুলৰ ফল ভোগ কৰিব লগীয়া হৈছে আজি তিনি লক্ষাধিক লোকে। সাধাৰণ প্ৰশাসনীয় কাম কাজৰ বাবেও আজি এই অঞ্চলৰ লোকসকলে জিলাখনৰ বিভিন্ন কাৰ্যালয়, আদালত, চিকিৎসালয় আদিলৈ যাবলৈ ব্ৰহ্মপুত্ৰৰ পাৰ হৈ যাবলগীয়া হয়। বিশেষকৈ বাৰিষা কালত এই অঞ্চলৰ লোকসকলৰ যাতায়াত হৈ পৰে অতিকৈ ভয়ংকৰ। ৰাজনৈতিক মেৰপেচত পৰা এইসকলক লোকে জেপৰ ধন খৰচ কৰি সাধাৰণ কামৰ বাবেও বৰপেটালৈ গৈ হোটেলত থাকিবলগীয়া হয়। জিলাখনৰ দক্ষিণপাৰৰ লোকসকলে আজি পৰ্যন্ত কামৰূপ অথবা গোৱালপাৰা জিলাৰ সৈতে চামিল হ'বলৈ দাবী উত্থাপন কৰাৰ লগতে চৰকাৰৰ সৈতে যোগাযোগ অব্যাহত ৰাখিছে। কিন্তু অৰ্থনৈতিকভাৱে পিছপৰি থকা এইসকল লোকৰ কথা শুনে কোনে? খৰালিৰ সময়ছোৱাত বিভিন্ন প্ৰান্তত বাঁহৰ দলং নিৰ্মাণ কৰি যাতায়াত অব্যাহত ৰাখিছে এই অঞ্চলৰ লোকসকলে। এনেকি কামৰূপৰ নগৰবেৰা আৰু বৰপেটা জিলাৰ মাজৰচৰ সংযোগ কৰি বৃহৎ বাঁহৰ দলং নিৰ্মাণ কৰি অব্যাহত ৰাখিছে যাতায়াত। ব্ৰহ্মপুত্ৰ আৰু জলজলি নদীৰ দ্বীপ সদৃশ চৰাঞ্চলত বসবাস কৰা তিনি লক্ষাধিক লোকৰ সৰ্বাংগীন উন্নয়নৰ বাবে নগৰবেৰাৰ পৰা খোলাবান্ধা হৈ বামুণদংৰাক সংযোগ কৰি ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণ কৰিবলৈ বিভিন্ন সময়ত চৰকাৰক দাবী উত্থাপন কৰি আহিছে। দলং নিৰ্মাণৰ প্ৰাৰম্ভিক কাম সম্পন্ন কৰিবলৈ দুয়োখন জিলাৰ জনসাধাৰণে বিশেষভাৱে মুখ্যমন্ত্ৰী অনুৰোধ জনাইছে।

# ৰাষ্ট্ৰীয় ক্ৰীড়াত ব্ৰঞ্জ জয়ী মহিলা নেটবল দলক আদৰণি

**ই-সংবাদ, গুৱাহাটীঃ** উত্তৰাখণ্ডত অনুষ্ঠিত হোৱা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াত ব্ৰঞ্জৰ পদকৰে উজলিল অসম দল। ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমৰ মহিলা নেটবল দলটোৱে তৃতীয় স্থান লাভ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই অনাত উৎফুল্লিত হৈছে ক্ৰীড়াপ্ৰেমী। দেশৰ বিভিন্ন ৰাজ্যৰ ৮ টা দলে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাত সফলতা লাভ কৰি স্ব গৃহত উপস্থিত হৈছে খেলুৱৈসকল। প্ৰথমবাৰৰ বাবে মহিলা নেটবল দলৰ খেলুৱৈয়ে ৰাষ্ট্ৰীয় ক্ৰীড়াত পদক জিকি ইতিহাস ৰচনা কৰিবলৈ সক্ষম হয়। অসমৰ মহিলা নেটবল দলক প্ৰতিনিধিত্ব কৰি ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াত ব্ৰঞ্জৰ পদকৰে ইতিহাস গঢ়িবলৈ সক্ষম হোৱা ডিব্ৰুগড় জিলাৰ লাহোৱালৰ অংকিতা চেতিয়াক শনিবাৰে বাণীপুৰ ৰে'লৰে ষ্টেচনত উপস্থিত হোৱাত অনুৰাগীসকলে বিপুল আদৰণি জনায়। এক উৎসৱমুখৰ পৰিৱেশৰ মাজেৰে প্ৰতিভাৱান খেলুৱৈগৰাকীক নিজ গৃহ জাপিসজীয়ালৈ আদৰি অনা হয়। ইয়াৰ পাছতে খেলুৱৈ গৰাকীৰ লাহোৱালৰ জাপিসজীয়া গৃহত বিভিন্ন দল-সংগঠনে ফুলাম গামোচা, ফুলৰ থোপা, জাপিৰে সম্বৰ্ধনা জনায়।

# দুবছৰে পুত্ৰ জোৰাৱৰক দেখা নাই শিখৰ ধাৱনে

**নতুন দিল্লী, ১৭ ফেব্ৰুৱাৰীঃ** শিখৰ ধাৱানৰ কোনো আক্ষেপ নাই! ২০২৩ চনত আয়েশা মুখাৰ্জীৰ পৰা বিচ্ছেদ হোৱাৰ পিছৰে পৰা পুত্ৰ জোৰাৱাৰক লগ কৰিব পৰা নাই। আদালতে অনুমতি দিলেও প্ৰাক্তন ভাৰতীয় ক্ৰিকেটাৰগৰাকীয়ে পুত্ৰৰ সৈতে ফোনতো কথা পাতিব নোৱাৰে। বিচ্ছেদৰ সময়ত ধৱনে অভিযোগ কৰিছিল যে আয়েশাই তেওঁক পুত্ৰক লগ কৰিবলৈ নিদিয়ে। আদালতৰ নিৰ্দেশৰ পিছতো পৰিস্থিতিৰ কোনো পৰিৱৰ্তন নহ'ল। এটা সাক্ষাৎকাৰত ধাৱনে কয় যে, "মই মোৰ ল'ৰাটোক দুটা বছৰ ধৰি দেখা নাই, এবছৰতকৈও অধিক সময় ধৰি তাৰ তাৰ মাত শুনা নাই। বহুত কষ্টকৰ, কিন্তু সহন কৰিবই লাগিব।"মাজে মাজে পুত্ৰলৈ মেছেজ প্ৰেৰণ কৰে ধাৱনে। ধাৱানে কয়, "মই বিচাৰো সি সুস্থ আৰু সুখী থাকক। তাক মেছেজ কৰাটো মোৰ কৰ্তব্য, মই সেইটোৱেই কৰিম।" ২০১১ চনত আয়েশাক বিয়া কৰাইছিল ধাৱনে। পুত্ৰ জোৰাৱাৰৰ জন্মৰ পিছত ২০১৬ চনত তেওঁলোকৰ বিচ্ছেদ ঘটে।



বদদোৰাত ডব্লিউপিএলত দিল্লী কেপিটেলছৰ বিৰুদ্ধে উইকেট দখলৰ পিছত উল্লাস আৰচিবিৰ ৰেণুকা সিঙৰ

## চেম্পিয়নছ ট্ৰফীৰ পূৰ্বে পুনৰ বিতৰ্কত আয়োজক পাকিস্তান

# লাহোৰ, কৰাচীৰ ষ্টেডিয়ামত প্ৰদৰ্শিত নহ'ল ভাৰতৰ ৰাষ্ট্ৰীয় পতাকা

**নতুন দিল্লী, ১৭ ফেব্ৰুৱাৰীঃ** চেম্পিয়নছ ট্ৰফী আৰম্ভ হোৱাৰ পূৰ্বেই বিতৰ্কৰ মাজত সোমাই পৰিছে পাকিস্তান ক্ৰিকেট ব'ৰ্ড। লাহোৰ আৰু কৰাচীৰ ষ্টেডিয়ামত ভাৰতৰ ত্ৰিৰংগা প্ৰদৰ্শিত নোহোৱাক লৈ ক্ষুব্ধ হৈ পৰিছে ক্ৰিকেট সমাজ। উল্লেখ্য যে, আই চি চিৰ নিয়ম অনুসৰি প্ৰতিযোগিতাখনৰ আয়োজক দেশখনে অংশগ্ৰহণ কৰা সকলো দেশৰ ৰাষ্ট্ৰীয় পতাকা ষ্টেডিয়ামত স্থাপন কৰিব লাগিব। কিন্তু এইবাৰ পাকিস্তানত সেই নিয়ম পালন নকৰাৰ অভিযোগ উত্থাপন হৈছে। এটা ভাইৰেল ভিডিঅ'ত দেখা গৈছে যে পাকিস্তানৰ ষ্টেডিয়ামত আন সাতখন দেশৰ পতাকা উৰি থকাৰ বিপৰীতে তাত নাই ভাৰতৰ জাতীয় পতাকা। অৱশ্যে এই ভিডিঅ'টোৰ সত্যতা আইচিচি বা পাকিস্তান ক্ৰিকেট ব'ৰ্ডে নিশ্চিত কৰা নাই। পাকিস্তানত ভাৰতীয় পতাকা নথকাৰ দুটা সম্ভাব্য কাৰণ উন্মোচিত হৈছে। প্ৰথম কথা, ভাৰতে চেম্পিয়নছ ট্ৰফীৰ বাবে পাকিস্তানত খেলিবলৈ সন্মত হোৱা নাছিল। তেওঁলোকৰ সকলো মেচ ডুবাইত খেলিব। দ্বিতীয়তে পাকিস্তানে ভাৰতক আমন্ত্ৰণ জনাইছিল যদিও নিৰাপত্তাজনিত কাৰণত ভাৰতে তালৈ যাবলৈ অস্বীকাৰ কৰিছিল। ভাৰতৰ এই সিদ্ধান্তই আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত পাকিস্তানক কিছু অস্বস্তিত পেলাইছে। ফলস্বৰূপে পাকিস্তান ক্ৰিকেট ব'ৰ্ডে এনে সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি ধাৰণা কৰা হৈছে। পাকিস্তানক চেম্পিয়নছ ট্ৰফীৰ আয়োজক দেশ হিচাপে ঘোষণা কৰাৰ পিছৰে পৰা ভাৰতে আপত্তি কৰি আহিছিল। সমগ্ৰ প্ৰতিযোগিতাখন পাকিস্তানৰ বাহিৰলৈ স্থানান্তৰিত কৰিবলৈ দাবী জনায়। যদিও সেই দাবী পূৰণ নহ'ল, অৱশেষত হাইব্ৰিড মডেলটো গ্ৰহণ কৰা হয়। সেই অনুসৰি পাকিস্তানত প্ৰতিযোগিতা হ'লে ভাৰতে নিৰপেক্ষ দেশত খেলিব, আৰু ভাৰতত প্ৰতিযোগিতা হ'লে পাকিস্তানেও নিৰপেক্ষ দেশত খেলিব। উল্লেখ্য যে, ২৩ ফেব্ৰুৱাৰীত ডুবাইত সন্মুখ সমৰত অৱতীৰ্ণ হ'ব ভাৰত আৰু পাকিস্তান।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD, JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA
MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি